www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সকলো বাস্তৱে কেঁচামাল হ'ল সময়। সময়ৰ সহায়েৰে সকলো সম্ভৱ, সময়ৰ অবিহনে একোৱেই সম্ভৱ নহয়। — আৰ্ণল্ড বেনেট

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২১৫ | দেওবাৰ | ১৯ অক্টোবৰ, ২০২৫ চন | ১ কাতি, ১৯৪৭ শক | VOL - 6 | NO.- 215 | Sunday | 19th October, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮



### অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ

## চৰণ বড়োৰ পৰিবহণ মন্ত্ৰী হিচাপে শপত গ্ৰহণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ অক্টোবৰ ঃ** শনিবাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ অংশ হিচাপে বিপিএফ বিধায়ক চৰণ বড়োৱে পৰিবহণ মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছে। ৰাজভৱনত আয়োজিত এক শপতগ্ৰহণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই চৰণ বড়োক কেবিনেট মন্ত্ৰী হিচাপে শপত পাঠ ▸▸ ৬ পৃষ্ঠাত

### এলাগী হ'ল প্ৰমোদ বড়ো; মুখ্যমন্ত্ৰীৰ গুদবুকত হাগ্ৰামা

## আমি এটকা দি দুটকা লোৱা মানুহ ঃ হাগ্ৰামা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ অক্টোবৰ ঃ** বি টি আৰৰ শাসনভাৰ হাগ্ৰামা মহিলাৰীৰ হাতলৈ যোৱাৰ লগে লগে সলনি হ'ল বড়োভূমিৰ ৰাজনৈতিক প্ৰেক্ষাপট। বি পি এফৰে পুনৰ সম্পৰ্ক গাঢ় হৈ পৰিল বিজেপিৰ। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ মন্ত্ৰীসভাত স্থান পালে বি পি এফৰ বিধায়কে। বি পি ▸▸ ৬ পৃষ্ঠাত

### জুবিনৰ সমাধিক্ষেত্ৰৰ নিকটৱৰ্তী দোকানসমূহৰ বাবে NHAIৰ কঠোৰ নিৰ্দেশনা

# ব্যৱসায়ীৰ ৰম্যভূমিলৈ পৰিণত জুবিনক্ষেত্ৰ

### ❑ ছয় দিনৰ ভিতৰত উচ্ছেদৰ জাননী ❑

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** জুবিনক্ষেত্ৰৰ আশে-পাশে অৱস্থিত দোকানসমূহৰ বাবে জাতীয় ঘাইপথ প্ৰাধিকৰণে (NHAI) এক জৰুৰী জাননী জাৰি কৰিছে। এই জাননী অনুসৰি, দোকানৰ মালিকসকলক আগন্তুক ৬ দিনৰ ভিতৰত স্বেচ্ছাই নিজৰ দোকানসমূহ ▸▸ ৬ পৃষ্ঠাত



### জুবিনক্ষেত্ৰত দিনে-নিশাই অতন্দ্ৰ প্ৰহৰীৰ দৰে আছিল মায়া

## সোণাপুৰৰ জুবিনক্ষেত্ৰতেই 'মায়া'ৰ চিৰনিদ্ৰা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** মহানায়ক জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ এক মাহ সম্পূৰ্ণ হোৱাৰ সময়তে সোণাপুৰৰ জুবিনক্ষেত্ৰৰ পৰা আহিল এক হৃদয়বিদাৰক খবৰ। শনিবাৰ নিশা জুবিনক্ষেত্ৰৰ সকলোৰে প্ৰিয় কুকুৰ 'মায়া'ৰ দেহাৱসান ঘটিল। এই মৰমিয়াল কুকুৰটোৱে জুবিনক্ষেত্ৰত দিনে-নিশাই অতন্দ্ৰ প্ৰহৰীৰ দৰে থাকি সকলোৰে মন জয় ▸▸ ৬ পৃষ্ঠাত

## পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ

### গোৰ্খা ইছ্যুত কেন্দ্ৰৰ একপক্ষীয় সিদ্ধান্তৰ সমালোচনা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** শনিবাৰে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ এক বিশেষ পত্ৰ প্ৰেৰণ কৰি কেন্দ্ৰীয় চৰকাৰৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। পত্ৰখনত তেওঁ দাৰ্জিলিং, তেৰাই আৰু দুৱাৰ্ছ অঞ্চলৰ গোৰ্খা সম্প্ৰদায়ৰ বিষয়ত কেন্দ্ৰীয় চৰকাৰে একপক্ষীয়ভাৱে ▸▸ ৬ পৃষ্ঠাত

## ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সুধাকণ্ঠৰ মৃত্যুবাৰ্ষিকী পালনৰ প্ৰস্তুতিৰ পৰ্যালোচনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** অহা ৫ নৱেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী ৰাজ্যজুৰি মৰ্যাদাৰ সৈতে পালনৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতিৰ পৰ্যালোচনা কৰিবলৈ ▸▸ ৬ পৃষ্ঠাত

### হাজাৰ হাজাৰ লোকে একত্ৰিত হৈ সমবেত কণ্ঠেৰে পৰিৱেশন কৰিব 'মানুহে মানুহৰ বাবে'

### "মনৰ মানুহৰ বিদায়ৰ এমাহ"

## মহাপ্ৰয়াণৰ এমাহ; জুবিনক্ষেত্ৰত পত্নী গৰিমা গাৰ্গে পাতিলে মনৰ কথা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** মহানায়ক জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ এমাহ সম্পূৰ্ণ হোৱাৰ দিনটোত তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হৃদয় উচুপি উঠিছে প্ৰিয়জনৰ স্মৃতিৰ কথা মনত পেলাই। প্ৰতিটো মুহূৰ্ত, ▸▸ ৬ পৃষ্ঠাত



### বিচিচিআইৰ সাধাৰণ সম্পাদক দেৱজিৎ শইকীয়াৰ ঘোষণা



## অসমত আৰম্ভ হ'ব 'অসম প্ৰিমিয়াৰ লীগ'

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** অসমৰ ক্ৰীড়াপ্ৰেমীৰ বাবে এক সুখবৰ! আগন্তুক ক্ৰীড়া ঋতুৰ পৰা অসমত 'অসম প্ৰিমিয়াৰ লীগ' (এপিএল) আৰম্ভ হ'ব। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ (আইপিএল) আৰ্হিত অসম ক্ৰিকেট সন্থাৰ (এচিএ) উদ্যোগত এই প্ৰতিযোগিতাৰ ▸▸ ৬ পৃষ্ঠাত

### ৰাজ্যসভাৰ বহু সাংসদৰ বাসগৃহ ভস্মীভূত, তদন্তৰ আহ্বান

## দিল্লীৰ ব্ৰহ্মপুত্ৰ এপাৰ্টমেণ্টত ভয়ংকৰ অগ্নিকাণ্ড



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** ৰাজধানী দিল্লীৰ ডাঃ বিষুও দাস মাৰ্গত অৱস্থিত ব্ৰহ্মপুত্ৰ এপাৰ্টমেণ্টত আজি এক ভয়াৱহ ▸▸ ৬ পৃষ্ঠাত

### 'ময়ো জুবিন, আমিও জুবিন' সলনি কৰিলে 'ময়ো জুবিন অনুৰাগী, আমিও জুবিন অনুৰাগী'লৈ

## ৰাজ্যজুৰি বিতৰ্কৰ পিছতেই জুবিন গাৰ্গৰ ন্যায়প্ৰাপ্তিৰ কাৰ্যসূচীৰ নাম সলনি বিজেপিৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ ন্যায়প্ৰাপ্তিৰ দাবীত অসম বিজেপিয়ে ঘোষণা কৰা 'ময়ো জুবিন, আমিও জুবিন' নামৰ কাৰ্যসূচীৰ নামৰ বিৰুদ্ধে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পিছত দলটোৱে নাম সলনিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়া এই কাৰ্যসূচী 'ময়ো জুবিন অনুৰাগী, ▸▸ ৬ পৃষ্ঠাত

### নিমাতি-অফলামুখ ফেৰীৰ পৰা ব্ৰহ্মপুত্ৰত জাপ এজনৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ অক্টোবৰ ঃ** নিমাতি-অফলামুখ অভিমুখী মা' কামাখ্যা নামৰ ফেৰী গনৰ পৰা বিয়লি এজন লোকে ব্ৰহ্মপুত্ৰত জাপ দিয়ে। অভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ অফলামুখ ঘাটৰ কৰ্মচাৰীৰ পৰা ▸▸ ৬ পৃষ্ঠাত

### জুবিন গাৰ্গৰ বিদায়ৰ এমাহ পূৰ্ণ


## সোণাপুৰৰ সমাধিক্ষেত্ৰত শোক আৰু শ্ৰদ্ধাৰ মিলন

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ এমাহ পূৰ্ণ হোৱাৰ দিনটোত ৰাজ্যৰ বিভিন্ন ▸▸ ৬ পৃষ্ঠাত

## কাছাৰত পুনৰ ১৮জন ৰোহিংগীয়া নাগৰিকক গ্ৰেপ্তাৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** কাছাৰ জিলাৰ কালাইনত পুনৰ ১৮ জন ৰোহিংগীয়া নাগৰিকক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত লোকসকলৰ ▸▸ ৬ পৃষ্ঠাত




### শান্তি আৰু একতাৰে গঢ়ি উঠক জ্ঞানময় সমাজ; সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী

### প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদগতিৰ অৰ্থে আউনীআটীত বিশেষ নাম-কীৰ্তনৰ ব্যৱস্থা



## ৩৭২ বছৰীয়া পৰম্পৰা; মাজুলীৰ আউনীআটী সত্ৰত ২১ যোৰা আকাশ বন্তি প্ৰজ্বলনেৰে কাতি বিহু উদযাপন

**মাজুলীৰ আউনীআটী সত্ৰৰ পৰা সনজিৎ কুমাৰ অভয়পুৰীয়া, উজনী মাজুলী, ১৮ অক্টোবৰ ঃ** মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰৰ প্ৰতিষ্ঠা কালৰে পৰা ৩৭২ বছৰীয়া পৰম্পৰা ৰক্ষা কৰি সত্ৰাধিকাৰ প্ৰমুখ্যে বৈষ্ণৱসকলে আজি ২১ যোৰা বন্তি প্ৰজ্বলন কৰি সত্ৰখনৰ বৈষ্ণৱৰ লগতে বিশ্ববাসীৰ সুখ-শান্তি কামনা কৰে। সেই উদ্দেশ্যে আজি কাতি বিহুৰ দিনা পুৱা গোবিন্দ মহাপ্ৰভুৰ ওচৰত পূজা-অৰ্চনাৰ পিছতেই বৈৰাগী নাম, বৰনাম, ভাগৱত পাঠ, গায়ন-বায়ন, প্ৰসংগ, পালনাম প্ৰসংগ আদি ▸▸ ৬ পৃষ্ঠাত

গোৱালপাৰা জিলাৰ এশগৰাকী শিক্ষকৰ অংশগ্ৰহণ

# দুধনৈত জিলা পৰ্যায়ৰ শিক্ষক সন্মিলন- ২০২৫ আৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৬অক্টোবৰ ঃ** শিক্ষামুলক নেতৃত্ব আৰু উদ্ভাৱনৰ বাবে ১৫ অক্টোবৰৰ পৰা ১৭ অক্টোবৰলৈ তিনিদিনীয়া কাৰ্যসূচীৰে দুধনৈত ডায়েটত আৰম্ভ হৈছে জিলা পৰ্যায়ৰ শিক্ষক সন্মিলন-২০২৫। দুধনৈস্থিত গোৱালপাৰা জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহযোগত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা "শিক্ষক সন্মিলন- ২০২৫"ৰ ১৫ অক্টোবৰত ৰাতিপুৱা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। উদ্বোধনী ভাষণেৰে সন্মিলন উদ্বোধন কৰে দুধনৈস্থিত গোৱালপাৰা জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ সীমান্ত বৰঠাকুৰে। জিলাখনৰ প্ৰায় ১০০গৰাকী শিক্ষকে অংশগ্ৰহণ কৰা এই সন্মিলনত গোৱালপাৰা জিলাৰ শিক্ষকসকলৰ মাজত উদ্ভাৱন আৰু সহযোগিতাৰ সংস্কৃতি গঢ়ি তোলাৰ লক্ষ্যৰে উন্নয়নমূলক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই সন্মিলনে শিক্ষক, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, আৰু শিক্ষা বিশেষজ্ঞসকলৰ বাবে উত্তম পদ্ধতিসমূহ ভাগ-বতৰা কৰিবলৈ, প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰিবলৈ, আৰু শৈক্ষিক পৰিৱেশৰ পৰিৱৰ্তনৰ দিশত সামূহিকভাৱে কাম কৰিবলৈ এক মঞ্চ হিচাপে কাম কৰিব। ইয়াৰ প্ৰাথমিক উদ্দেশ্য হৈছে শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশক প্ৰসাৰিত কৰা গতিশীল আৰু ফলপ্ৰসূ শিক্ষণ পৰিৱেশ গঢ়ি তুলিবলৈ প্ৰয়োজনীয় দক্ষতা আৰু জ্ঞানেৰে সজ্জিত কৰা। এই সন্মিলনৰ আন এক লক্ষ্য হৈছে শিক্ষাবিদ, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু সমল ব্যক্তিসকলক একত্ৰিত কৰি সমসাময়িক শৈক্ষিক প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোচনা কৰা, আৰু জিলা পৰ্যায়ত পাঠদান আৰু শিক্ষণৰ মানদণ্ড বৃদ্ধিৰ বাবে গুৰুত্বপূৰ্ণ মূল ক্ষেত্ৰসমূহত সামৰ্থ্য গঢ়ি তোলা। এই সন্মিলনত শিক্ষক সকলৰ বাবে ছয়টাকৈ থিম নিৰ্ধাৰণ কৰা হৈছে। ১) ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ বৃদ্ধিৰ বাবে শ্ৰেণী কোঠাত উদ্ভাৱনী মুলক শিক্ষা বিজ্ঞান, ২) শ্ৰেণীকোঠাত অনুশীলনৰ বাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ব্যৱহাৰ, ৩) মূল সাক্ষৰতা আৰু সংখ্যা বিজ্ঞান, প্ৰাথমিক শিশুৰ যত্ন আৰু শিক্ষা ৪) শ্ৰেণী কোঠাৰ লেনদেনত পাঠদান শিক্ষণ আৰু সামগ্ৰীৰ ব্যৱহাৰ, ৫)বিদ্যালয় পৰিৱৰ্তনৰ বাবে ফলপ্ৰসূ নেতৃত্বৰ অনুশীলন আৰু ৬) ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰীক বিকাশৰ বাবে মূল্যায়ন আদি বিষয়ৰ ওপৰত শিক্ষক সকলৰ লগত মত বিনিময়। এই ছয়টা বিষয়ৰ ওপৰত এশ শিক্ষকৰ ভিতৰত যি তিনিগৰাকীয়ে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব সেই তিনিগৰাকীক পুৰস্কৃত কৰি ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত কৰিব। অভিলাষা মেচে আঁত ধৰা শিক্ষক সন্মিলনৰ আজিৰ শুভাৰম্ভ অনুষ্ঠানত ডায়েটৰ কাৰ্যসূচী সমন্বয়ক নুৰ ইছলাম, ডায়েটৰ জেষ্ঠ্য প্ৰবক্তা হিমাংশু সিংহ ৰয়, জীতেন্দ্ৰ কুমাৰ চৌধুৰী, দুধনৈ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক বন্দীতা বৰবৰা, নৰেন দাস, পণ্ডিত দীনদয়াল আদৰ্শ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ক্ষীৰোদ শৰ্মা, ডায়েটৰ অৱসৰী অধ্যক্ষ জাফৰ আলী আহমেদ আৰু দুধনৈ বেচিক ট্ৰেইনিং চেণ্টাৰৰ অধ্যক্ষ বিকে মাৰাক উপস্থিত থাকে।

# ফুলপানিছিগাত ৯৬ সংখ্যক চাৰি দিনীয়া কাৰ্যক্ৰমণিকাৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱৰ বৰ্ণাঢ্য আয়োজন

## ৰাস ক্ৰিয়াৰ লগতে অনুষ্ঠিত হ'ব ভাওনা প্ৰদৰ্শন

**অসম বাৰ্তা, জাঁজী, ১৬ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ ফুলপানিছিগাৰ আঞ্চলিক ৰাসোৎসৱ বৰ নামঘৰ আৰু কলা কৃষ্টি কেন্দ্ৰত সমূহ ৰাইজৰ ঐক্ৰান্তিক সহযোগিতাত ১৯৩০ চনৰ পৰা শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ ভাগি অনুষ্ঠিত কৰি অহা হৈছে। আনহাতে পূৰ্বৰ দৰেই এই বাৰু অহা ৫, ৬, ৭, ৮ নৱেম্বৰত চাৰি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। কাৰ্যক্ৰমণিকা অনুসৰি ৫ নৱেম্বৰত পুৱা প্ৰভাতি বন্দনা, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণ, ভাগৱত শোভাযাত্ৰা, শৰাই অৰ্পণ, ভাগৱত পাঠ, নাম প্ৰসংগ, কীৰ্ত্তন পাঠ, দিহা নাম, অনুষ্ঠিত হব। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতেই ভাৰৰীয়া সকলৰ আশীৰ্বাদ গ্ৰহণ, শৰাই অৰ্পণ আৰু গায়ন প্ৰদৰ্শনৰ লগতে আঞ্চলিক শিল্পীসকলৰ দ্বাৰাই "শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস ক্ৰিয়া" নাট প্ৰদৰ্শন অনুষ্ঠিত হ'ব। আনহাতে ৬ নৱেম্বৰত দিনৰ নাম প্ৰসংগ আৰু অনান্য কাৰ্যসূচীৰ লগতে সন্ধিয়া গায়ন প্ৰদৰ্শনৰ পাছত কংস চৰিত্ৰত ভাওনা শিল্পী প্ৰয়াত সোণাৰাম দত্ত সোঁৱৰণি সন্মান প্ৰদান কৰা হব। সমান্তৰাল ভাবে বসুদেৱ চৰিত্ৰত ভাওনা শিল্পী মিঠামন ভৰালী সোঁৱৰণী সন্মান প্ৰদান কৰা হব। প্ৰদান কৰিব জাঁজী জামুগুৰিৰ বিশিষ্ট সমাজ সেৱক, তথা ব্যৱসায়ী জয়ন্ত খাউণ্ডে। ইয়াৰোপৰি সন্ধ্যা ৭-৩০ বজাত ডিব্ৰুগড় পাৰিজাত সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰাই "সীতা হৰণ জঁটায়ু মোক্ষণ" ভাওনা ভাওনা প্ৰদৰ্শন কৰা হ'ব। তদুপৰি ৭ নৱেম্বৰৰ দুপৰীয়া "ভাওনাত নৈতিকতা আৰু আধ্যত্মিক ভাবৰ প্ৰতিফলন" শীৰ্ষক ধৰ্মালোচনী সভা অনুষ্ঠিত হ'ব। সভাত সভাপতিত্বত কৰিব চাৰিং শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপক, সু বক্তা তুৰা ৰাম খনিকৰে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব তিতাবৰ কমলাবাৰী সত্ৰৰ ভাওনা ৰত্ন সোণা ৰাম বুঢ়া ভকত। সন্ধিয়া গায়ন প্ৰদৰ্শন কৰাৰ পাছতেই সেৱকী মিণ্টু বৰা, ডঃ বিজুমণি গগৈ আৰু পৰিয়াল বৰ্গৰ হৈ ফুলপানিছিগাৰ অৰুণোদয় সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰাই "নৃসিংহ অৱতাৰ" ভাওনা প্ৰদৰ্শন কৰা হ'ব। আনহাতে ৮ নৱেম্বৰৰ দিনৰ নাম প্ৰসংগৰ পাছতেই সন্ধিয়া সাত বজাত সেৱকী ডঃ ক্ষীৰোদ শইকীয়া, ডঃ চিত্ৰা দুৱৰা, প্ৰবাল শইকীয়া আৰু পৰিয়াল বৰ্গৰ হৈ শিৱসাগৰ সমন্বয় শিল্পী সমাজে " মৎস্য অৱতাৰ চাৰিবেদ উদ্ধাৰ" ভাওনা প্ৰদৰ্শন কৰিব। সেয়েহে এই চাৰিও দিনৰ কাৰ্যসূচী সফল ৰূপায়ণ কৰিবলৈ ফুলপানিছিগাৰ আঞ্চলিক ৰাসোৎসৱ বৰ নামঘৰ আৰু কলা কৃষ্টি কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি হিমাদ্ৰি জ্যোতি দত্ত, সম্পাদক পুষ্পধৰ নেওগ, আৰু আঞ্চলিক ৰাসোৎৱ উদযাপন সমিতিৰ সভাপতি সুৰেন খনিকৰ, সম্পাদক বিতুমণি বৰুৱাই সকলো দিশতে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

স্মৰণিকা পত্ৰিকা 'শৰৎ সুগন্ধি' উন্মোচন

# নাট্যশিল্পী শৰৎ বৰুৱাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি সভা



**অসম বাৰ্তা, আমগুৰি, ১৬ অক্টোবৰ ঃ** অসমৰ অপেছাদাৰী নাট্যজগতলৈ বহুমূলীয়া অৱদান আগবঢ়াই যোৱা যোৰহাট জিলাৰ লাহিং মাজকুৰিৰ সুপৰিচিত অভিনেতা শৰৎ বৰুৱাৰ স্মৃতিত যোৱা বুধবাৰে তেখেতৰ আদ্য শ্ৰাদ্ধৰ লগত সংগতি ৰাখি এক শ্ৰদ্ধাঞ্জলি সভা আৰু স্মৰণিকা উন্মোচন অনুষ্ঠান অনুষ্ঠিত হয়। যোৱা ৫ অ'ৌবৰ তাৰিখে অকাল মৃত্যুক আকোঁৱালি লোৱা মঞ্চ অভিনেতাজনৰ লাহিং মাজকুৰিৰ বাসগৃহত একাদশ দিৱসত নকছাৰিৰ গিবন কুশীলৱ নাট্যগোষ্ঠী আৰু জাঁজীপৰীয়া শিল্পী সমাজৰ যুটীয়া উদ্যোগত এই সভাৰ আয়োজন কৰা হয়। গিবন কুশিলৱ নাট্য গোষ্ঠীৰ যুটিয়া সম্পাদক পঞ্চানন দুৱৰাই আঁত ধৰা স্মৃতিচাৰন সভাৰ আৰম্ভণি কৰে স্থানীয় মাজকুৰি লাহিঙৰ বিচিত্ৰ বৰুৱাই। গিবন কুশীলৱৰ হৈ অন্যতম যুটীয়া সম্পাদক ফটিক গগৈয়ে শৰৎ বৰুৱাই গোষ্ঠীটোলৈ আগবঢ়োৱা ২৩ বছৰীয়া অৱদানৰ বিষয়ে বক্তব্য ৰাখে। সেইদৰে জাজীঁপৰীয়া শিল্পী সমাজৰ হৈ নাট্যকাৰ পৰিচালক মুনিন্দ্ৰ গগৈয়ে নাট্য জীৱনত লাভ কৰা শৰত বৰুৱাৰ সান্নিধ্য বিষয়ে আলোকপাত কৰে। সেইদৰে ডিব্ৰুগড়ৰ বিশিষ্ট নাট্যকাৰ ড° নীলিম চেতিয়াই তেওঁৰ নাটকত শৰৎ বৰুৱাৰ অভিনয়ৰ মুহূৰ্তবোৰ স্মৰণ কৰে। আনহাতে, নাট্যকাৰ মুনীন্দ্ৰ গগৈয়ে অপেছাদাৰী নাট্যদলৰ প্ৰতি শৰৎ বৰুৱাৰ ত্যাগ আৰু অভিনয় প্ৰতিভাক শ্ৰদ্ধাৰে উল্লেখ কৰে। দীপক গগৈয়ে সহশিল্পীৰ লগতে ব্যক্তিগত সম্বন্ধত লাভ কৰা সান্নিধ্য সোঁৱৰণ কৰে। উক্ত সভাত শৰৎ বৰুৱাৰ জীৱন আৰু কৰ্মৰ ওপৰত আধাৰিত 'শৰৎ সুগন্ধি' নামৰ এক শ্ৰদ্ধাঞ্জলি স্মৰণিকা উন্মোচন কৰা হয়। দীপক গগৈৰ সম্পাদনাত প্ৰস্তুত কৰা এই স্মৰণিকাখন গিবন কুশীলৱ আৰু জাঁজীপৰীয়া শিল্পী সমাজৰ হৈ প্ৰাক্তন শিক্ষক তথা বৈষ্ণৱ প্ৰাণ ভকত ডম্বৰুধৰ বৰুৱাই উন্মোচন কৰে। অনুষ্ঠানত গিবন কুশীলৱ আৰু জাঁজীপৰীয়া শিল্পী সমাজৰ হৈ সুনীল দত্ত, অবিন্দম গগৈ, বিজু বৰআহোম, ৰিদিপ চেতিয়া, তপন পাত্ৰ, অনুৰঞ্জন দুৱৰা, প্ৰাঞ্জল পাংগিং, অনুৰাগ শইকীয়া, পলাশ চুতীয়া আদি শিল্পীসকল উপস্থিত আছিল। ইয়াৰোপৰি বীৰ লাচিত সেনাৰ অসমৰ যুটীয়া প্ৰশাসনিক সচিব যাদৱ দুৱৰা, নকছাৰি শাখাৰ সভাপতি ব্ৰজেন দহোটীয়া, অনন্ত গগৈ, লাহিং আঞ্চলিকৰ সঞ্জীৱ বৰা, পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ নবীন গগৈ, দিগন্ত লাহন, নকছাৰি নৱবিকাশ সংঘৰ বিদ্যুৎ বিকাশ গগৈ আদি বিশিষ্ট ব্যক্তিসকলেও অংশগ্ৰহণ কৰে। শৰৎ বৰুৱাৰ পৰিয়ালৰ হৈ তেওঁৰ ভাতৃ জয়ন্ত বৰুৱাই মৃতকৰ জীৱন আৰু অৱদানৰ কথা সভাত তুলি ধৰে।

ডমাল স্পৰ্টচ ক্লাৱৰ গুৰুত্বপূৰ্ণ জয়

# শিশুৰাম হাজৰিকা, ডাঃ সতীশ দাস সোঁৱৰণী মৰিগাঁও 'এ' ডিভিজন ফুটবল

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৬ অক্টোবৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সস্থাৰ উদ্যোগত আৰু ফুটবল উপশমিতিৰ তত্বাৱধানত বিপুল সংখ্যক ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতিত কৰ্মপ্ৰাণ ক্ষীবোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা শিশুৰাম হাজৰিকা আৰু ডাঃ সতীশ দাস সোঁৱৰণী প্ৰাইজমাণী 'এ' ডিভিজন আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ খেলত ডমাল স্পৰ্টচ ক্লাবে সুন্দৰ খেল প্ৰদৰ্শন কৰি অসম জ্যোতি সংঘক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। অসমৰ প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী তথা প্ৰতিযোগিতাৰ মেচ কমিছনাৰ নাছিৰ উদ্দিন আহমেদৰ পৰ্য্যবেক্ষণত আজিৰ খেলখন অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত ৰেফাৰী ক্ৰমে ভোগসিং বৰদলৈ, মাণিক কাকতি, বলেন বৰা আৰু দ্বীপেন হুকাইয়ে পৰিচালনা কৰে।

চাৰিজন সেনা জোৱান গুলিবিদ্ধ; এন.এছ. চি.এন( কে.ৱাই.এ) জড়িত থকাৰ সন্দেহ

# ভাৰত-ম্যানমাৰ সীমান্তৰ অৰুণাচল প্ৰদেশৰ চাংলাং জিলাত অসম ৰাইফলছ'ৰ শিবিৰত উগ্ৰপন্থীৰ ভয়ংকৰ আক্ৰমণ

**অসম বাৰ্তা বিশেষ, জাগুন, ১৬ অক্টোবৰ ঃ** অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ মান্ম'ৰ (Manmo) হেটমান অঞ্চলস্থিত ৪নং অসম ৰাইফলছ'ৰ এটা শিবিৰত আজি পুৱতি নিশা প্ৰায় তিনি মান বজাত এন, এছ, চি, এন(কে, ৱাই, এ)দ্বাৰা আক্ৰমণ। আক্ৰমণত অসম ৰাইফলছ'ৰ চাৰিগৰাকী সেনা জোৱান গুলিবিদ্ধ হোৱাৰ খবৰ পোৱা গৈছে। ইয়াৰে দুগৰাকী জোৱানৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে। দুয়োজন জোৱানক তাৎক্ষণিক ভাৱে হেলিকপ্টাৰেৰে দিনজানস্থিত সেনা বাহিনীৰ চিকিৎসালয়লৈ নিয়া হৈছিল যদিও পৰৱৰ্ত্তী সময়ত পুৱা ৮: ২৪ বজাত যোৰহাটৰ ৫নং বায়ু সেনা বাহিনীৰ চিকিৎসালয়লৈ দুয়োজনকে উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়। সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰা জোৱান দুজন ক্ৰমে হৰিচৰণ No F412147RFN(BB) আৰু ৰাহুল বৰা No G/5041733H(GD)। উক্ত ঘটনা সংঘটিত কৰি উগ্ৰপন্থীৰ দলটো ভাৰত-ম্যানমাৰ সীমান্তৰে আঁতৰি যোৱাৰ সন্দেহ কৰা হৈছে। কিছুদিন পূৰ্বে এই শিবিৰত মোতায়েন কৰা ৪ নং অসম ৰাইফলছ'ক এই ঘটনাৰ পিছতেই তৎকালে স্থানান্তৰ কৰি তাৰ ঠাইত ৩১ নং অসম ৰাইফলছ'ক মোতায়েন কৰা হৈছে। ঘটনা সংঘঠিত হোৱা এই সমগ্ৰ এলেকাত বৰ্তমান অসম ৰাইফলছে উগ্ৰপন্থী বিৰোধী তীব্ৰ অভিযান অব্যাহত ৰাখিছে।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ দুদিনীয়া শিক্ষক প্ৰশিক্ষণ কৰ্মশালাৰ সামৰণি



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ অক্টোবৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত (স্বায়ত্তশাসিত)- ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযানৰ পৃষ্ঠপোষকতাত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত মনিটৰিং কাটিং' এজ ৰিছাৰ্চ ইন দি লাইট এন ইপি ২০২০-শীৰ্ষক দুদিনীয়া শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী ১৪ আৰু ১৫ অক্টোবৰত সফলতাৰে অনুষ্ঠিত হয়। প্ৰশিক্ষণৰ উদ্বোধনী অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলো অধ্যাপক-অধ্যাপিকাৰ লগতে সমূহ গণ্যমান্য ব্যক্তিক আদৰণি জনায়। ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয় যে শিক্ষকসকল কেৱল শিক্ষক হিচাপেই নহয়, তেওঁলোক একো একোজন পৰামৰ্শদাতা, পথ প্ৰদৰ্শক হিচাপেও নিজৰ দায়িত্ব পালন কৰিব লাগিব। সমাজ, দেশ, জাতিক ইতিবাচক দিশত আগুৱাই নিবলৈ হ'লে প্ৰতিজন শিক্ষকে একো একোজন সু-পৰামৰ্শদাতা, পথ প্ৰদৰ্শক হিচাপে দায়িত্ব পালন কৰিব লাগিব। অধ্যক্ষগৰাকীয়ে লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষা, গৱেষণা কি পৰ্যায়ত আছে তাৰ বিষয়েও শিক্ষাৰ্থীক অৱগত কৰিব লাগিব। দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° প্ৰদীপ কুমাৰ বৰুৱাই। উদ্বোধনী ভাষণপ্ৰসংগত ড° বৰুৱাই অৰ্থপূৰ্ণ শৈক্ষিক সম্পৰ্ক গঢ়ি তোলা, সহযোগিতামূলক গৱেষণাৰ প্ৰসাৰ আৰু শিক্ষণ আৰু শিকণপদ্ধতিৰ উদ্ভাৱনক অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত এনে প্ৰশিক্ষণ কাৰ্যসূচীৰ মূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহকাৰী অধ্যপক তথা কৰ্মশালাৰ এগৰাকী সমন্বয়ক ড° তবচ্ছুম ৰিজভী উপস্থিত থাকি এক গৱেষণামুখী শৈক্ষিক পৰিৱেশ গঢ়িতোলাৰ ক্ষেত্ৰত কাৰ্যসূচীটোৰ উদ্দেশ্য আৰু প্ৰাসংগিকতাৰ ওপৰত আলোকপাত কৰে। কৰ্মশালাখনি প্ৰথমদিনাৰ চাৰিটা আলোচনা শাখাত সমলব্যক্তি হিচাপে উপস্থিত থাকে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰাধ্যাপক ড° পংকজ দাস, তেজপুৰ বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক ড° নৱজ্যোতি মেধি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° গৌৰী শংকৰ দাস আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰাধ্যাপক ড° চন্দন কুমাৰ শৰ্মা। আনহাতে দ্বিতীয় দিনাৰ চাৰিটা আলোচনা শাখাৰ সমল ব্যক্তি আছিল তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাষাবিজ্ঞান আৰু ভাষা প্ৰযুক্তি বিভাগৰ সহকাৰী অধ্যাপক ড° অৰূপ কুমাৰ নাথ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° পংকজ চেতিয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আৰু তথ্য বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° সঞ্জয় কুমাৰ সিং আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ মেনেজমেণ্ট ষ্টাডিজৰ সহকাৰী অধ্যাপক ড° আৰ্শাদ হুছেইন। মুঠ ১১২ গৰাকী শিক্ষক তথা গৱেষকে অংশগ্ৰহণ কৰা কৰ্মশালাৰ সামৰণিত অংশগ্ৰহণকাৰীসকলৰ পৰা পোৱা ইতিবাচক সঁহাৰিয়ে সমলব্যক্তিসকলৰ লগতে উদ্যোক্তাসকলকো উৎসাহিত কৰে। কৰ্মশালাটি সফলভাৱে সম্পন্ন হোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ বিষয়ববীয়াসকলৰ শলাগলোৱাৰ লগতে কৰ্মশালাৰ সমন্বয়কৰ দায়িত্ব পালন কৰা মহাবিদ্যালয় খনিৰ অধ্যাপক ক্ৰমে ড° নিতুমণি শইকীয়া, ড° পৰাগ জ্যোতি চুতীয়া আৰু ড°অপূৰ্ব দত্তকে ধৰি আটাইকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। কৰ্মশালাখনিৰ দুয়োটা দিনৰসমূহ কাৰ্যসূচী সুচাৰুৰূপে আঁত ধৰে অধ্যাপিকা সংক্ৰান্তি দেৱী আৰু ড° হানিফা ৰহমানে।

ডাক্তৰৰ সলনি ফাৰ্মাচীয়ে চিকিৎসা কৰাৰ অভিযোগ

# টংলাত ভুল চিকিৎসাৰ বলি, পুনাৰাম ৰাভাৰ মৃত্যুত ক্ষোভ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৮ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ টংলাত ভুল চিকিৎসাৰ বলি হৈ এজন ৰোগীৰ মৃত্যু ঘটাৰ অভিযোগে স্থানীয় জনতাত তীব্ৰ ক্ষোভৰ সঞ্চাৰ কৰিছে। মৃত ব্যক্তিজন হৈছে মাকেলিকন্দা পাকেৰীতল গাঁৱৰ নিবাসী পুনাৰাম ৰাভা (৬০) পেছাত স্থানীয় এজন কৃষক। আজি আবেলি টংলা চহৰৰ মাজমজিয়াত থকা মা মেডিকেল ফাৰ্মাছিত পুনাৰাম ৰাভাই কিছু অসুস্থ হৈ থকাৰ বাবে দৰৱ নিবলৈ আহে। ফাৰ্মাচী খনত থকা ডাঃ হৰকান্ত দাসে ব্যক্তি জনক চিকিৎসা কৰি ডেকচনা আৰু ডেৰিফেল নামৰ দুটা বেজী দিয়াৰ লগে লগে উক্ত চেম্বাৰতে পুনাৰাম ৰাভাই অসুস্থহৈ প্ৰাণ ত্যাগ কৰে। ৰাইজৰ অভিযোগ অনুসাৰী প্ৰথম অৱস্থাত ব্যক্তিজন সুস্থ আছিল আৰু নিজেই ৰিস্কাত উঠি আহি অকলে খোজ কাঢ়ি ফাৰ্মাচী খনলৈ আহিছিল বুলি কয়। আনহাতে ফাৰ্মাচী খনত থকা লোকজনে নিজকে চিকিৎসক হিচাপে পৰিচয়দি দীৰ্ঘদিন ধৰি ঔষধ প্ৰদান কৰাৰ লগতে ইনজেকশ্যনদি আহিছিল। ফাৰ্মাচীখনত কোনো ধৰণৰ যোগ্য চিকিৎসক নহ'লেও চিকিৎসা কৰা অভ্যাস কৰাৰ লগতে বহুদিন ধৰি এনে বিপদজনক আচৰণ চলি আহিছে। স্থানীয় লোকৰ ভাষ্য অনুসৰি, "ফাৰ্মাচীখন চিকিৎসালয়লৈ ৰূপান্তৰ হৈ পৰিছে, অথচ তাত এজনো অভিজ্ঞ ডাক্তৰ নাই। ঘটনাৰ পিচতে পৰিয়াল লোকে আৰক্ষী থানত এজাহাৰ দাখিল কৰে আনহাতে ৰাইজে দোষীৰ বিৰুদ্ধে কঠোৰ ব্যবস্থা লবলৈ প্ৰশাসনক দাবি জনায় যাতে এনে অনাধিকৃত চিকিৎসা কেন্দ্ৰ বন্ধ কৰি ৰাইজৰ জীৱনৰ সুৰক্ষা হয়।

দাইছাজানৰ আক্ৰমণৰ পুনৰাবৃত্তি ঘটিল কাকপথাৰত

# কাকপথাৰৰ সেনা ছাউনীত চলোৱা প্ৰতিশোধমূলক আক্ৰমণৰ কথা স্বীকাৰ কৰিলে আলফা স্বাধীনে

## আলফাৰ 'অভিযান প্ৰতিশোধ' আৰম্ভ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৮ অক্টোবৰ ঃ** একবিংশ শতিকাৰ প্ৰাৰম্ভণিতে (বোধ কৰোঁ ২১ জানুৱাৰী, ২০০৩ চন) তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত দাইছাজান চাহ বাগিচাস্থিত সেনা শিৱিৰত সংঘটিত হোৱা আলফা বিদ্ৰোহীৰ ভয়ানক আক্ৰমণৰ পুনৰাবৃত্তি ঘটিল কাকপথাৰত। সেনা বাহিনীৰ বিশেষ ক্ষমতা আইন চলি থকা তিনিচুকীয়া জিলাত বেপৰোৱাভাৱে এদল উগ্ৰপন্থীৰ কেডাৰে সেনা শিৱিৰত আক্ৰমণ চলাই আৰক্ষী থানাৰ সমুখেদিয়ে আঁতৰি যোৱা কাৰ্যই তিনিচুকীয়া জিলাত আইন-শৃংখলা ব্যৱস্থাত কেৰোণ থকাটোকেই প্ৰতীয়মান কৰিছে বুলিও সচেতন মহলে মন্তব্য কৰিছে। উল্লেখ্য যে, যোৱা নিশা (অৰ্থাৎ ১৭ অক্টোবৰ) কাকপথাৰৰ সেনা শিৱিৰত এখন ট্ৰাকত অহা এদল অস্ত্ৰধাৰী যুৱকে অত্যাধুনিক অস্ত্ৰৰে আক্ৰমণ চলাই দাইছাজান শিৱিৰত সংঘটিত ঘটনাৰেই যেন পুনৰাবৃত্তি ঘটালে। যোৱা ২৪ ঘণ্টাৰ ভিতৰতে অসম আৰু অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া জিলা চাংলাংৰ মানমৌ আৰু তিনিচুকীয়াৰ কাকপথাৰত ক্ৰমে এন এছ চি এন আৰু আলফা (স্বা)ৰ বৃহৎ দলে নিজৰ নিজৰ শক্তি প্ৰদৰ্শন কৰা কাৰ্যই বিশেষ তাৎপৰ্য বহন কৰিছে। কাকপথাৰৰ আক্ৰমণৰ ঘটনাৰ দায়িত্ব স্বীকাৰো কৰিলে আলফা (স্বা)-এ। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃত্তি মতে যোৱা নিশা ১২-৪০ বজাত কাকপথাৰৰ সেনা ছাউনীত চলোৱা আক্ৰমণৰ ফলত ৩ গৰাকী সেনা জোৱান হতাহত হৈছে। প্ৰেছ বিবৃতিটোৰ মতে সংগঠনটোৱে ১৭ অক্টোবৰৰ নিশা আলফা (স্বা)ৰ সংযুক্ত মুক্তি ফৌজ, অসমৰ সেনানীসকলে কাকপথাৰস্থিত ১৯ গ্ৰেণেডিয়াৰ বাহিনীৰ সেনা ছাউনীত আক্ৰমণ চলায়। এই আক্ৰমণটোক সংগঠনটোৱে "অভিযান প্ৰতিশোধ" নামেৰে নামকৰণ কৰিছে। উল্লেখ্য যে, কিছুদিন পূৰ্বে ভাৰত ৰাষ্ট্ৰই আলফা (স্বা)ৰ শিবিৰত ভয়ংকৰ আক্ৰমণ চলাইছিল, য'ত কেইবাজনো নেতা-কেদাৰৰ মৃত্যু হৈছিল। সেই আক্ৰমণৰ প্ৰতিশোধ স্বৰূপে আলফা (স্বা)ই এই পদক্ষেপ গ্ৰহণ কৰে। জানিব পৰা মতে, যোৱা নিশা সেনা শিৱিৰত গুলী বৰ্ষণ কৰাৰ সমান্তৰালকৈ গ্ৰেণেড বিস্ফোৰণ ঘটায় আলফা (স্বা)ৰ দলটোৱে। এখন ট্ৰাকেৰে অহা আলফাৰ এটা দলে এই আক্ৰমণ সংঘটিত কৰিছিল বুলি কোৱা হৈছে। এ এছ ২৫ ই চি ২৩৫৯ পঞ্জীয়ন নম্বৰৰ উক্ত ট্ৰাকখন ইতিমধ্যে আৰক্ষীয়ে অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ আলফাৰ পূৰ্বৰ ঘাটিৰূপে জনাজাত টেঙাপানী অঞ্চলৰ ন-দিহিঙৰ পাৰত উদ্ধাৰ কৰিছে। আলফাৰ দলটোৱে উক্ত ট্ৰাকখন ন-দিহিঙত বগৰাই চিন মোকাম নাইকিয়া কৰি দিয়াৰ প্ৰচেষ্টাও চলাইছিল। কিন্তু সম্ভৱ নহ'ল। খবৰ বিয়পি পৰাৰ লগে লগে এই লোমহৰ্ষক কাণ্ডই কেৱল কাকপথাৰ কিম্বা তিনিচুকীয়া জিলাই নহয় সমগ্ৰ অসম জোকাৰি গৈছে। আইন-শৃংখলাজনিত বিষয়ক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে অসম আৰক্ষী আৰু বিশেষ ক্ষমতাৰে ক্ষমতাশালী ভাৰতীয় সেনা শিৱিৰত। যোৱা নিশা অত্যাধুনিক অস্ত্ৰৰ গুলী আৰু গ্ৰেণেডৰ শব্দই কাকপথাৰৰ চৌদিশ কঁপাই তোলা আকস্মিক ঘটনাটোৱে যেন অতীতলৈ মনত পেলাই দিলে কাকপথাৰবাসীক। ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে সেনা-আৰক্ষীয়ে। উল্লেখ্য যে, চলিত বৰ্ষৰ জুলাই মাহত নাগালেণ্ড আৰু ম্যানমাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত লংৱাৰ পৰা অৰুণাচল-ম্যানমাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত পাংচ'পাছলৈকে আলফা স্বাধীন, আৰ পি এফ/ পি এল এৰ বিভিন্ন শিবিৰত ভয়ংকৰ ড্ৰোন আক্ৰমণ সংঘটিত হৈছিল। উক্ত আক্ৰমণত মৃত্যু হৈছিল আলফা(স্বা)ৰ লেফটেনেণ্ট জেনেৰেল নয়ন অসমসহ গণেশ অসম আৰু প্ৰদীপ অসমৰ। পৰৱৰ্তী সময়ত আলফা (স্বা)-এ স্বীকাৰ কৰিছিল যে উক্ত আক্ৰমণত ৩ সদস্যৰ মৃত্যুৰ লগতে ১৯ গৰাকী আহত হয়। সেই আক্ৰমণৰে প্ৰতিশোধ লবলৈ আলফা (স্বা) ই কাকপথাৰৰ সেনা শিৱিৰলৈ গুলী বৰ্ষণ আৰু গ্ৰেণেড নিক্ষেপ কৰে। আলফা স্বাধীনৰ প্ৰচাৰ বিভাগৰ সহকাৰী সচিব চেকেণ্ড লেফটেনেণ্ট ঈশান অসম স্বাক্ষৰিত বিবৃত্তিটোত কোৱা হৈছে - 'অভিযান প্ৰতিশোধ'ৰ জৰিয়তে 'সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)' সংগঠনৰ স্পষ্ট বাৰ্তা যে 'ঔপনিৱেশিক ভাৰতীয় শাসকে তাৰ দখলদাৰী বাহিনীৰ দ্বাৰা যিমানেই অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰেৰে আমাৰ সংগঠনক নিঃশেষ কৰিবলৈ নিবিচাৰক কিয়, কোনো কালেই আমাৰ ঈপ্সিত লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শৰ পৰা বিচলিত কৰিব নোৱাৰে। বৰঞ্চ দখলদাৰী বাহিনীৰ তেনে বৰ্বৰতাই আমাৰ মনোবল আৰু অধিক দৃঢ় কৰাত প্ৰেৰণা আৰু উৎসাহে যোগাব।

# হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, বাগানপাৰা, ১৮ অক্টোবৰ ঃ** বাক্সা জিলাৰ বাক্সা শিক্ষা খণ্ড, মুছলপুৰৰ অধীনস্থ পাগলাদিয়াপাৰ মাধ্যমিক বিদ্যালয়ৰ হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাক ১৭ অক্টোবৰত বিদায় সম্বৰ্ধনা জনোৱা হয়। নবক্তি অঞ্চলৰ খৈৰাণী গাঁও নিবাসী, সমাজকৰ্মী, কৃতী হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাই বিগত ১৯৯১ চনৰ ১৩ জানুৱাৰীত পাগলাদিয়াপাৰ মাধ্যমিক বিদ্যালয়ত হিন্দী শিক্ষক হিচাপে শিক্ষাদানত ব্ৰতী হৈ ২০২৫ চনৰ ৩০ ছেপ্টেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণ কৰাৰ পিছত কালি ১৭ অক্টোবৰত বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰী, অভিভাৱক - অভিভাৱিকা তথা বিদ্যালয় পৰিচালনা সমিতিয়ে হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাক বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰিপ্ৰসাদ শৰ্মাৰ সভাপতিত্ব অনুষ্ঠিত বিদায় সম্বৰ্ধনা অনুষ্ঠানত খৈৰাণী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নেত্ৰভূষণ খড়কাই উপস্থিত হৈ শিক্ষক গৰাকীৰ শিক্ষাদান জীৱন তথা কৰ্মজীৱনৰ আলোকপাত কৰে। সভাত হিন্দী শিক্ষক গৰাকীক ফুলাম গামোচা, শৰাই আৰু সম্বৰ্ধনা পত্ৰৰে বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত ইন্দ্ৰানী মহিলা সমিতিৰ সভানেত্ৰী কমলা দাহাল, নবক্তি মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভোগীৰথ ছেত্ৰী, বিদ্যালয়ৰ প্ৰাক্তন সভাপতি ভীম বাহাদুৰ দাহাল, গোপাল উপাধ্যায়, বিদ্যালয়ৰ প্ৰধান শিক্ষক নাৰায়ণ ওস্তী, শিক্ষক দুৰ্গাপ্ৰসাদ গৌতমকে ধৰি ছাত্ৰ -ছাত্ৰী, অভিভাৱক অভিভাৱিকা আৰু শুভাকাংক্ষী সকল উপস্থিতি থাকে।

# টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'শুশ্ৰূষা সেতু' শীৰ্ষক সমষ্টি ভিত্তিত বৃহৎ স্বাস্থ্য শিবিৰ সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৮ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰৰ সেৱাই সমৰ্পণ কাৰ্যসূচীৰ অংশস্বৰূপে আজি টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত কলাইগাঁও সমষ্টিৰ বিধায়ক দুৰ্গা দাস বড়োই "শুশ্ৰূষা সেতু" শীৰ্ষক সমষ্টি ভিত্তিত এখনি বৃহৎ স্বাস্থ্য শিবিৰ উদ্বোধন কৰে। ওঁঠৰ (১৮)বছৰৰ তলৰ শিশু আৰু কিশোৰ -কিশোৰী সকলক চিকিৎসা প্ৰদানৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত ৰাজ্য চৰকাৰে প্ৰতিটো বিধান সভা সমষ্টিতে এই বিশেষ স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে বুলি উদ্বোধক দুৰ্গা দাস বড়োই জানিবলৈ দিয়ে। সংগীত সূৰ্য জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰা পিছতে অনুষ্ঠিত মুকলি সভাত বিধায়ক দুৰ্গা দাস বড়ো, ওদালগুৰি জিলা আয়ুক্ত পুলক পাটগিৰি, পাৰিষদ অৰ্জুন দৈমাৰীয়ে ভাষণ দিয়ে। জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডক্তৰ কুমুদ দাসে উদ্বোধন কৰা মুকলি সভাত ৰাষ্ট্ৰীয় সংগীতেৰে আৰম্ভ কৰে। স্বাস্থ্য বিষয়া গণেশ দত্তই আঁত ধৰা সভাত মহকুমাধিপাতি ৰিংখাং মুছাহাৰী, সহকাৰী জিলা আয়ুক্ত সৰফৰজ হক, ক্ৰান্তী দেৱী প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। স্বাস্থ্য শিবিৰত শিশু ৰোগ বিশেষজ্ঞ, স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিশেষজ্ঞ, মেডিচিন বিশেষজ্ঞ, অস্থিৰোগ বিশেষজ্ঞ, চৰ্মৰোগ বিশেষজ্ঞ, চকু ৰোগ বিশেষজ্ঞ, কাণ, নাক, ডিঙি ৰোগ বিশেষজ্ঞ, আদিকে ধৰি প্ৰায় বিলাক বেমাৰৰ বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়ায়। তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ বিশেষজ্ঞ চিকিৎসক উপস্থিত থকা স্বাস্থ্য শিবিৰৰ জৰিয়তে হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃৎ, বৃক্ক, চকু, নাক- কাণৰ ৰোগকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ পৰীক্ষা তথা পৰৱৰ্তী পৰ্যায়ত বিনামূলীয়াভাৱে প্ৰয়োজনীয় চিকিৎসা প্ৰদান আৰু পুনৰীক্ষণৰ ব্যৱস্থা কৰা হয়। ৰোগ অনুসৰি উন্নত আৰু বিনামূলীয়া চিকিৎসাৰ বাবে বিশেষ সা সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণ কৰিব বুলি জিলা স্বাস্থ্য বিষয়াই জানিবলৈ দিয়ে। উক্ত স্বাস্থ্য শিবিৰত স্বাস্থ্য বিষয়া -কৰ্মী, আশা কৰ্মী, আশা চুপাৰভাইজৰ, বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষক, শিক্ষক-শিক্ষয়িত্ৰীয়ে সহায় সহযোগ আগবঢ়ায়।

# আমগুৰিত ১৯ অক্টোবৰত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, আমগুৰি, ১৬ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত অহা ১৯ অক্টোবৰত আমগুৰি বাসী ৰাইজৰ উদ্যোগত সকলোৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আমগুৰি আউনীআটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰাঙ্গনত আয়োজিত বিশেষ শ্ৰদ্ধাৰ্ঘ্য অনুষ্ঠানত পুৱা বৃক্ষৰ পুলি ৰোপণ, বৰগীত পৰিৱেশন, আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰা হব। অনুষ্ঠানত পুৱা ১০.০০ বজাত গায়ন-বায়ন, ১০.১৫ বজাত দিহানাম, ১০.৩০ বজাত: জিকিৰ আৰু ১১.০০ বজাত: জুবিন সংগীত পৰিবেশন কৰা হব। দিনৰ ১১.৩০ বজাত অনুষ্ঠিত হব লগা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সংগীত পৰিচালক জয়ন্ত নাথ আৰু অনুষ্ঠানত জুবিন গাৰ্গৰ সতীৰ্থ শিল্পী মানস বড়া (বুবু)ই সংগীত পৰিবেশন কৰিব। সন্ধ্যা ৫.০০ বজাত বন্তিপ্ৰজ্বলন, শান্তি সমদলৰ লগতে এহেজাৰ শিল্পীয়ে 'মায়াবিনী' গীত পৰিবেশন কৰিব।

হিমাদ্ৰী দেৱীলৈ সমাৰোহৰ শ্ৰেষ্ঠ উদ্ভাৱনকাৰী শিক্ষকৰ বঁটা

# উদ্ভাৱনীমূলক ধাৰণাৰ প্ৰদৰ্শনেৰে সামৰণি পৰিল শিক্ষক সমাৰোহৰ

## বঙাইগাঁও ডায়েটৰ প্ৰশংসনীয় পদক্ষেপ

**অসম বাৰ্তা, অভয়াপুৰী, ১৮ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে বঙাইগাঁও শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত অনুষ্ঠিত হ'ল এক গুৰুত্বপূৰ্ণ শিক্ষক সমাৰোহ, যাৰ মুখ্য লক্ষ্য আছিল-শ্ৰেণীকক্ষ শিক্ষণ-শিকণ প্ৰক্ৰিয়াত উদ্ভাৱনী চিন্তা-ধাৰণাৰ প্ৰয়োগৰ মাধ্যমেৰে শিক্ষণক অধিক আকৰ্ষণীয়, অংশগ্ৰহণমূলক আৰু ফলপ্ৰসূ কৰি তোলা। ১৫ অক্টোবৰৰ পৰা ১৭ অক্টোবৰলৈ বঙাইগাঁও ডায়েটৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষা অভিযান, বঙাইগাঁৰৰ সহযোগত এই তিনিদিনীয়া শিক্ষক সমাৰোহ অনুষ্ঠিত হয়। শিক্ষক সমাৰোহত বঙাইগাঁও, মাণিকপুৰ, বইটামাৰী আৰু সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ১০০ গৰাকী শিক্ষকে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী শিক্ষকসকলৰ মাজৰ পৰা যোগ্যতাভিত্তিত বাছনি কৰা শিক্ষক সকলে নিজ নিজ বিদ্যালয়ত চলি থকা বাস্তৱ উদ্ভাৱনী ধাৰণাসমূহৰ বিভিন্ন প্ৰক্ৰিয়া প্ৰদৰ্শন কৰে আৰু নিজৰ চিন্তা-ধাৰণাসমূহ উপস্থিত আন আন শিক্ষক সকলৰ সৈতে বিনিময় কৰে। সমাৰোহৰ সামৰণী দিনত আজি ডায়েটৰ সকলো প্ৰৱক্তা আৰু সৰ্বশিক্ষাৰ ডি পি অ (টি টি) কৃতি গোস্বামী উপস্থিত থাকে। সমাৰোহৰ উদ্ভাৱনীমূলক শিক্ষক হিচাপে প্ৰথম স্থান লাভ কৰে বইটামাৰী শিক্ষাখণ্ডৰ হিমাদ্ৰী দেৱী, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে বঙাইগাঁও শিক্ষাখণ্ডৰ ছাই বাল ভৌমিক আৰু বিক্ৰা হাজৰিকা কলিতাই। বিশেষ ধাৰণা প্ৰদৰ্শনকাৰী হিচাপে বঁটা লাভ কৰে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক ড° ছিৰখাত হুছেইন। সামৰণি অনুষ্ঠানত বঙাইগাঁও ডায়েটৰ আলোচনী "জ্ঞানম" উন্মোচন কৰে ওদালগুৰি ডায়েটৰ অধ্যক্ষ গোৱিন্দ মেধীয়ে। বঙাইগাঁও ডায়েটৰ প্ৰৱক্তা প্ৰদীপ ৰয় আৰু মৃদুল দাসৰ তত্ত্বাৱধানত অনুষ্ঠিত সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী শিক্ষক সকলোক মানপত্ৰ প্ৰদান কৰে বঙাইগাঁও ডায়েটৰ অধ্যক্ষ ৰূপনাথ দাস, মৃদুল দাস, মানস নৰহ, মনোৱাৰ হুছেইন, উদিত বাছনেট, অৱসৰী প্ৰৱক্তা মিনতি পাল দেৱ আৰু কোকৰাঝাৰ চৰকাৰী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰৱক্তা প্ৰীতিভূষণ দেৱনাথে। সামৰণী অনুষ্ঠানত বঙাইগাঁও ডায়েটৰ অৱসৰী প্ৰৱক্তা বিপাশা পাঠক চৌধুৰীয়ে সকলো শিক্ষকক তেওঁলোকে কৰি থকা প্ৰতিটো কাম যাতে ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ বাবে হয় তাৰ বাবে আহ্বান জনায়। সমাৰোহৰ সামৰণি অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ ফালৰ পৰা গীত মাত আৰু কবিতাও পৰিৱেশন কৰে। সমাৰোহৰ সামৰণী অনুষ্ঠানত উৎকৃষ্ট উদ্ভাৱনী চিন্তা-ধাৰণা প্ৰদৰ্শন কৰা ২০ গৰাকী শিক্ষকক বিশেষভাৱে সন্মানিত কৰা হয়।

বিশেষজ্ঞ চিকিৎসকৰ গোটে আগবঢ়াই বিনামূলীয়া স্বাস্থ্য পৰীক্ষা

# খুমটাই বিধানসভা সমষ্টিত বৃহৎ স্বাস্থ্য শিবিৰ

## সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই কৰে শুভাৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৮ অক্টোবৰ ঃ** গোলাঘাট জিলাত দ্বিতীয়টো বৃহৎ স্বাস্থ্য শিবিৰ আজি খুমটাই বিধান সভা সমষ্টিৰ অন্তৰ্গত দেৰ্গোওঁৰ পণ্ডিত হেমচন্দ্ৰ গোস্বামী বিদ্যাপীঠত অনুষ্ঠিত হয়। এই বৃহৎ স্বাস্থ্য শিবিৰৰ শুভাৰম্ভণি কৰে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই। শুভাৰম্ভণি অনুষ্ঠানত জিলা আয়ুক্ত, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ প্ৰসূতি স্বাস্থ্য বিভাগৰ পৰামৰ্শদাতা, স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত, গোলাঘাটৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালককে প্ৰমুখ্যে কৰি বিশিষ্ট সমাজকৰ্মী চন্দ্ৰজ্যোতি ঠাকুৰ, জিলা পৰিষদৰ সদস্যসকল, মহকুমা চিকিৎসা বিষয়া, চিকিৎসাকৰ্মী তথা খুমটাই বিধানসভা সমষ্টিৰ বহুসংখ্যক ৰাইজ উপস্থিত থাকে। বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰাৰ পাছতেই এখন সভা অনুষ্ঠিত কৰা হয়। ৰাইজক উদ্দেশ্য কৰি সাংসদ কামাখ্যা প্ৰসাদ তাছাই চৰকাৰৰ এই পদক্ষেপক ৰাইজৰ বাবে অত্যন্ত উপকাৰী বুলি মন্তব্য কৰি বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা সেৱা লাভ কৰাৰ বাবে আহ্বান জনায়। ইয়াৰ উপৰিও তেখেতে ৰাইজক নিশ্চিত কৰি দিয়ে যে প্ৰথম পৰ্যায়ৰ স্বাস্থ্য পৰীক্ষা হোৱাৰ পাছত উন্নত চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা হ'ব। সভাত বিধায়ক মৃণাল শইকীয়াই ৰাইজক বিশেষ চিকিৎসাৰ সুবিধাপ্ৰাপ্ত কৰি অন্যতম চিকিৎসালয়সমূহলৈ প্ৰেৰণ কৰা পৰ্যন্ত সুবিধা লাভ কৰাৰ বাবে আহ্বান জনায়। অসম চৰকাৰে ৰাজ্যজুৰি আৰম্ভ কৰা 'শুশ্ৰূষা সেতু' শীৰ্ষক দ্বিতীয়টো বিধানসভা সমষ্টি ভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰৰ অধীনত আজি ১৮ বছৰ বয়সৰ তলৰ শিশু তথা কিশোৰ - কিশোৰীৰ বাবে পঞ্চাশটাৰো অধিক প্ৰকাৰৰ বেমাৰ বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰা হয়। এই বৃহৎ স্বাস্থ্য শিবিৰত মুঠ ৪০৩৭ লোকৰ পঞ্জীয়ন হয় আৰু ইয়াৰে ভিতৰত ১৮ বছৰৰ তলৰ ৩০২৬ শিশু তথা কিশোৰ - কিশোৰীয়ে চিকিৎসা সেৱা লাভ কৰে আৰু ০-১৮ বছৰ বয়সৰ মুঠ ৩৯৮ জনক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়। স্বাস্থ্য শিবিৰত বিশেষজ্ঞ চিকিৎসকৰ দলে বিনামূলীয়া ভাৱে হৃদৰোগ, স্নায়ুৰোগ, চৰ্মৰোগ, অস্থিৰোগ, শিশু ৰোগ, স্ত্ৰীৰোগ, দাঁতৰ ৰোগ, শিশুৰ বিকাশজনিত বিলম্বকে আদি কৰি মুঠ ৫০ৰো অধিক ৰোগৰ পৰীক্ষা আৰু পৰামৰ্শ প্ৰদান কৰে। উল্লেখযোগ্য যে গোলাঘাট জিলাত মুঠ ৫টা বিধানসভা সমষ্টিতে এনে ধৰণৰ শিবিৰ অনুষ্ঠিত হ'ব। এই শিবিৰ সমূহৰ মূল উদ্দেশ্য স্বৰূপে ১৮ বছৰ বয়সৰ তলৰ প্ৰত্যেক শিশু তথা কিশোৰ-কিশোৰীৰ ৰোগ নিৰ্ণয়, প্ৰয়োজনীয় স্বাস্থ্য পৰীক্ষা, ঔষধ যোগান আৰু উন্নত চিকিৎসা সেৱা প্ৰদান।

# জুবিন গাৰ্গৰ ন্যায় প্ৰদান আৰু সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৮ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী হাৰ্টথ্ৰব জুবিন গাৰ্গৰ ৰহস্য জনক মৃত্যুৰ ন্যায় বিচাৰি আৰু সাংবাদিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত আজি অসম বাৰ্তাজীৱী সংঘৰ আহ্বানত নলবাৰী জিলা বাৰ্তাজীৱী সংঘই দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি ব্ৰজেন তালুকদাৰে আতধৰা কাৰ্যসূচীৰ আৰম্ভণিতে হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ উপদেষ্টা ব্ৰজেন চৌধুৰীয়ে আৰু পুষ্পাঞ্জলী প্ৰদান কৰে সম্পাদক প্ৰাঞ্জল কলিতাই। পিছত উপস্থিত সকলো সাংবাদিক, বিভিন্ন দল-সংগঠনৰ নেতাই পুষ্পাঞ্জলী প্ৰদান কৰে। উল্লেখ্য যে যোৱা ১৫ অক্টোবৰত জুবিন গাৰ্গৰ ৰহস্য জনক মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দিপন গাৰ্গ, জুবিন গাৰ্গৰ দুই দেহৰক্ষী সহ পাঁচ জনক বাক্সা জিলা কাৰাগাৰলৈ অনাৰ সময়ত সৃষ্টি হোৱা অপ্ৰিতিকৰ পৰিস্থিতিত কেইবাজনো সাংবাদিক আহত হয়। আনকি সংবাদ মাধ্যমৰ গাড়ীও জ্বলাই দিছিল। সেই ঘটনাৰ পৰিপ্ৰেক্ষিতত আজি প্ৰতিবাদত বহিবলৈ বাধ্য হল সাংবাদিক সকল। অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ পৰাই সদৌ অসম ছাত্ৰ সন্থাৰ উপ সভাপতি ভৱজিৎ বেজবৰুৱাই চৰকাৰক জুবিন গাৰ্গৰ ন্যায় প্ৰদান আৰু সাংবাদিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী জনাই। প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ পিছতে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় প্ৰদান আৰু সাংবাদিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী জনাই অসমৰ মুখ্যমন্ত্ৰী লৈ নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি ব্ৰজেন তালুকদাৰ আৰু সম্পাদক ৰূপ কুমাৰ শৰ্মা স্বাক্ষৰিত এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ 'এণ্টি ৰেগিং কোষ'ৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠান




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ অক্টোবৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত)-'এণ্টি ৰেগিং কোষে' মহাবিদ্যালয়খন ৰেগিং শূন্য কৰি ৰখাত বিশেষ ভূমিকা পালন কৰি আহিছে। প্ৰতি বছৰে মহাবিদ্যালয়খনত ৰেগিং বিৰোধী সজাগতা সভা অনুষ্ঠিত কৰাৰ উপৰিও এণ্টি ৰেগিং সপ্তাহ উদ্‌যাপন কৰি আহিছে। এই পৰিপ্ৰেক্ষিতত শ্ল'গান লিখন, পোষ্টাৰ অংকন প্ৰতিযোগিতা আদিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বাটৰ নাট প্ৰদৰ্শন কৰি আহিছে। শেহতীয়াভাৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক তথা 'বিদ্যা দ্যা লিভিং স্কুল'ৰ প্ৰতিষ্ঠাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে'কৃতজ্ঞতা' শীৰ্ষক এক মননশীল বক্তৃতা প্ৰদান কৰে। অনলাইন শ্ল'গান লিখন আৰু পোষ্টাৰ অংকন প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী সকলক বঁটা প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ- ছাত্ৰীসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাক জাগ্ৰত কৰিবৰ বাবে এণ্টি ৰেগিং কোষে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে বিজয়ী ছাত্ৰ- ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে আৰু অনাগত দিনত আৰু অধিক আগুৱাই যোৱাৰ বাবে আশীৰ্বাদ প্ৰদানকৰে। অধ্যক্ষ গৰাকীয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলক ৰেগিঙৰ দৰে সামাজিক ব্যাধিত আক্ৰান্ত নহৈ সমাজৰ বিভিন্ন গঠনমূলককামত ব্ৰতী হৈ বিশ্বত নিজৰ লগতে দেশৰ নাম আগুৱাই নিবলৈ আহ্বান জনায়। বঁটা প্ৰদান অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম আদিত্য কাকতৰ সম্পাদক মনজিত বৰাই বিজয়ীসকলক বঁটা প্ৰদান কৰাৰ লগতে এক শুভেচ্ছামূলক বক্তৃতাও প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, এণ্টি ৰেগিং কোষৰ অধ্যক্ষ ড° মৰমী তালুকদাৰ, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, এণ্টি ৰেগিং কোষৰ সক্ৰিয় সদস্য অধ্যাপক ৰাজীৱলোচন বৰাকে প্ৰমুখ্য কৰি ভালেকেইজন অধ্যাপক- অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনলাইন মাধ্যমত অনুষ্ঠিত প্ৰতিযোগিতা খনিৰ বহুসংখ্যক প্ৰতিযোগীৰ মাজত নৃতত্ত্ব বিভাগৰ জিজ্ঞাসা কোঁচে সৃজনীমূলক পোষ্টাৰ অংকনত বিশেষ বঁটা, শ্ল'গান লিখন প্ৰতিযোগিতাত উদ্ভিদ বিজ্ঞান বিভাগৰ তুষাৰ ঘৰফলীয়াই প্ৰথম, দৰ্শন বিভাগৰ বন্দীতা পাদুনে দ্বিতীয়, ৰসায়ন বিজ্ঞান বিভাগৰ নন্দিতা দাস আৰু ইংৰাজী বিভাগৰ অংশুমান গগৈয়ে যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ লাভ কৰে।

# পথালিপাহাৰ তিনিআলিত হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ আয়োজন

**অসম বাৰ্তা, বান্দৰদেৱা, ১৮ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী বৃহত্তৰ পথালিপাহাৰবাসী ৰাইজৰ উদ্যোগত পথালিপাহাৰ বাণিজ্যিক কেন্দ্ৰস্থলত জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে জুবিন গাৰ্গ ৰ এমহীয়া আদ্যশ্ৰাদ্ধ অহা ইংৰাজী ১৯ অক্টোবৰ দেওবাৰে আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানৰ দিনাই প্ৰয়াত জুবিন গাৰ্গৰ এটি প্ৰতিমূৰ্তিৰ শিলান্যাস কৰা হব। তদুপৰি অনুষ্ঠান ভাগীৰ লগত সংগতি ৰাখি প্ৰায় পাঁচ শতাধিক ভকত বৈষ্ণৱ মহিলাৰ উপস্থিতিত নাম প্ৰসংগৰ লগতে ৫২ গৰাকীয়ে দেৱবাদ্য প্ৰদৰ্শন কৰা হ'ব। ইয়াৰোপৰি পাঁচ শতাধিক পুৰুষ মহিলা শিশু সকলে জুবিন গাৰ্গৰ কালজয়ী গীত "মায়াবিনি ৰাতিৰ বুকুত" গীতটি পৰিবেশন কৰা হ'ব। সন্ধিয়া জুবিন গাৰ্গৰ গীতেৰে এটি সন্ধ্যা অনুষ্ঠান কৰা হ'ব। উক্ত অনুষ্ঠানত সকলো জাতি ধৰ্ম ভাষা নিৰ্বিশেষে সকলো ৰাইজৰ সহায়-সহযোগিতা উপস্থিতি কামনা, কৰিছে উদ্যোক্তা সকলে।

# ১৪ বছৰীয়া ছাত্ৰী অপহৰণ কৰি ৰঙাঘৰৰ আলহী হ'ল বৰপেটাৰোডৰ টাইকোৱাণ্ডো একাডেমিৰ প্ৰশিক্ষক বিজয় দাস

**অসম বাৰ্তা, বৰপেটাৰোড, ১৮ অক্টোবৰ ঃ** বৰপেটাৰোড টাইকোৱাণ্ডো একাডেমিৰ প্ৰশিক্ষিক বিজয় দাসে মাণিকপুৰ আওলাগুৰিৰ এগৰাকী ১৪ বছৰীয়া কিশোৰীক অপহৰণ কৰাৰ অপৰাধত মেঘালয় আৰক্ষীৰ সহযোগত মাণিকপুৰ আৰক্ষীয়ে শ্বিলঙৰ পুলিচবাজাৰৰ পৰা গ্ৰেপ্তাৰ কৰে। বৰ্তমান মাণিকপুৰ আৰক্ষীৰ জিম্মাত টাইকোৱাণ্ডো প্ৰশিক্ষক বিজয় দাস। জানিব পৰা মতে যোৱা ন অক্টোবৰৰ পৰা বঙাইগাঁও জিলাৰ মাণিকপুৰ অদলাগুৰিৰ এগৰাকী চৈধ্য বছৰীয়া কিশোৰী সন্ধানহীন হৈ আছিল। ইতিমধ্যে পৰিয়ালৰ লোকে ঘটনাৰ সবিশেষ জনাই মাণিকপুৰ থানাত এক গোচৰ ৰুজু কৰিছিল। পৰিয়ালৰ লোকে এক বিশেষ উৎসৰ পৰা সন্ধানহীন কিশোৰীগৰাকীক বোকাখাতৰ টাইকোৱাণ্ডো প্ৰশিক্ষক বিজয় দাসে শ্বিলঙৰ পুলিচবাজাৰত নি অপহৰণ কৰি ৰখা বুলি খবৰ পাই মেঘালয় আৰক্ষীৰ সহযোগত অপহৰণকাৰীৰ কবলৰ পৰা কিশোৰীগৰাকীক উদ্ধাৰ কৰে। অপহৰণ কৰা ছোৱালী গৰাকী বিজয় দাসৰ ছাত্ৰী আছিল। উল্লেখ্য যে, টাইকোৱাণ্ডো প্ৰশিক্ষক বিজয় দাসৰ ঘৰ গোলাঘাট জিলাৰ বোকাখাটত আৰু বিবাহিত বিজয় দাসে দুই সন্তান সহ পত্নীৰ সৈতে বৰপেটা ৰোডত ভাড়াঘৰত থাকি বৰপেটা আৰু বাগছা জিলাৰ বিভিন্ন ঠাইত টাইকোৱাণ্ডোৰ প্ৰশিক্ষণ দিছিল। ইতিমধ্যে মাণিকপুৰ আৰক্ষীয়ে অপহৰণকাৰী বিজয় দাসক নিজৰ জিম্মাত লৈ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

# কচুৱাত 'উলামা ঐক মঞ্চ অসম'ৰ সংবাদমেল

**অসম বাৰ্তা, কচুৱা, ১৮ অক্টোবৰ ঃ** নগাঁও জিলাৰ কচুৱা তিনিআলিত 'উলেমা ঐক্য মঞ্চ অসমে' সমাজখন আগুৱাই নিয়াৰ ক্ষেত্ৰত আৰু ইছলাম ধৰ্মীয় লোকৰ ব্যাপক সচেতনতা বৃদ্ধি কৰিবলৈ এখনি সংবাদ মেলৰ আয়োজন কৰে। শীতৰ আগমন ঘটাৰ লগে লগে ইছলাম ধৰ্মৰ ধৰ্মীয় সভা বা জলছাহৰ আয়োজন কৰে। অলিয়ে গলিয়ে জলছাহ আৰু মাদ্ৰাছাৰ ছাত্ৰ লগাই গাঁৱে গাঁৱে চাঁদা বৰঙনি সংগ্ৰহ কৰাৰ ওপৰত সংবাদমেলত উলেমা ঐক্য মঞ্চই কিছুমান গুৰুত্বপূৰ্ণ নিৰ্দেশনা ঘোষণা কৰে। অলিয়ে গলিয়ে ধৰ্মীয় সভা পতা বন্ধ কৰি আঞ্চলিক ভিত্তিত কমেও পাঁচ-দহ কিলোমিটাৰ দূৰে দূৰে সভা অনুষ্ঠিত কৰা আৰু বহিঃৰাষ্ট্ৰৰ কোনো বক্তাক অসমত নিমন্ত্ৰণ দি আনিব নোৱাৰিব বুলি ঘোষণা কৰে। লগতে মাদ্ৰাছাৰ ছাত্ৰক লগাই চাঁদা কালেকছন কৰিব নোৱাৰিব বুলি উলেমা ঐক্যমঞ্চৰ সভাপতি ড° আবুল কালামে সংবাদমেলত ঘোষণা কৰে। মেট্ৰিক আৰু হায়াৰ চেকেণ্ডাৰী পৰীক্ষা সমূহ চলি থকাৰ সময়ত ধৰ্মীয় সভাত ব্যৱহাৰ কৰা লাউড্‌ স্পিকাৰৰ শব্দই ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত প্ৰভাৱ পৰে আৰু সেই সময়ছোৱাত ধৰ্মীয় সভাৰ আয়োজন কৰাৰ পৰা বিৰত থাকি সকলো পক্ষক সচেতন হ'বলৈ ড° কালামে আহ্বান জনায়। ইয়াৰোপৰি সমাজত মাৰাত্মক ব্যাধি হিচাপে থিয় দিয়া ড্ৰাগছ, মদ, জুৱা, ভাং আদিৰ বিৰুদ্ধেও ইছলাম ধৰ্মৰ সকলো পক্ষ সজাগ হৈ নিজৰ নিজৰ সন্তানৰ লগতে সমাজখনক সুপথত পৰিচালিত কৰিবলৈ অভিভাৱক ৰাইজক আহ্বান জনায়। যদি কোনোৱে এইবোৰ প্ৰসঙ্গ আকোৱালি লয় তেনে লোকৰ বিৰুদ্ধে উলেমা ঐক্যমঞ্চই প্ৰয়োজন সাপেক্ষে কঠোৰ পদক্ষেপ ল'ব বুলি সংবাদ মেলত সদৰি কৰে। আজিৰ সংবাদ মেলত ড° আবুল কালামৰ লগত সংগ দিয়ে সম্পাদক মুফতি চাইফুল ইছলাম আৰু মৌলানা মোবাৰক হুছেইনে।

# সোণতলীৰ জাওকাটাত নাওখেলৰ সামৰণি

**অসম বাৰ্তা, সোণতলী, ১৮ অক্টোবৰ ঃ** কামৰূপ জিলাৰ সোণতলীৰ জাওকাটা কুলহী নদীত জাওকাটা দিয়া নৱজ্যোতি ক্লাৱে" দুদিনীয়া কাৰ্যসূচীৰে অসম ভিত্তিত আয়োজন কৰা বিশাল নাওখেলৰ কালি সামৰণি পৰে। খেলৰ প্ৰথম দিনাই এই নাওখেলত কৰে মুঠ আঠখনকৈ নাৱে অংশগ্ৰহণ। অনুষ্ঠিত হোৱা চূড়ান্ত খেলত 'ৰাজমাতা' নামৰ নাওখনে প্ৰথম স্থান লাভ কৰি ট্ৰফিসহ ৭১, ১১১ টকা আৰু 'ছোহানা এপ্ৰেছ' নামৰ নাৱে দ্বিতীয় স্থানত ট্ৰফিসহ ৬১, ১১১ টকাৰ পুৰস্কাৰ লাভ কৰে। খেলৰ অন্তত ফুলচান আলীৰ পৌৰোহিত্যত অনুষ্ঠিত বঁটা বিতৰণী সভাত বহু গণ্য-মান্য লোক উপস্থিত থাকে।

# তিনিচুকীয়া জিলা বিধানসভা সমষ্টি ভিত্তিক মাৰ্ঘেৰিটা সমষ্টিত বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন




**অসম বাৰ্তা বিশেষ, জাগুন, ১৮ অক্টোবৰ ঃ** সমগ্ৰ ৰাজ্যব্যাপী "শুশ্ৰূষা সেতু" উদ্যোগৰ অংশস্বৰূপে, আজি মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত টাউন হাই স্কুলৰ খেলপথাৰত বৃহৎ স্বাস্থ্য শিবিৰ সফলতাৰে আয়োজন কৰা হয়। উক্ত স্বাস্থ্য শিবিৰৰ উদ্বোধনী অনুষ্ঠানত তিনিচুকীয়া জিলা স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্যয় আদৰণি ভাষণ আগবঢ়ায়। ইয়াৰ পিছতেই মাৰ্ঘেৰিটা সম-জিলা আয়ুক্ত ৰাহুল দলে ভাষণ প্ৰদান কৰে। তেখেতে নিজ বক্তব্যত ৰাজ্য চৰকাৰে প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ ওপৰত আলোকপাত কৰি কয় যে, ৰাজ্যৰ প্ৰতি গৰাকী শিশুক গুণগত স্বাস্থ্য সেৱা প্ৰদান কৰাটোৱেই এই চৰকাৰৰ মুল লক্ষ্য। তেখেতে উল্লেখ কৰে যে "সুশ্ৰূষা সেতুৰ সফলতা কেৱল স্বাস্থ্য পৰীক্ষা কৰা শিশুৰ সংখ্যাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা নহয়, বৰং ই শিশুসকলৰ অধিকাৰ আৰু দায়িত্ব। "তেওঁ লগতে কয় "মাৰ্ঘেৰিটাৰ আজিৰ এই স্বাস্থ্য শিবিৰ কেৱল এক চিকিৎসা পৰীক্ষা নহয় বৰঞ্চ ই এক সেৱা তথা সহানুভূতিশীল অভিযান, যাৰ উদ্দেশ্য আমাৰ শিশুসকলক স্বাস্থ্যবান, বলিষ্ঠ আৰু সক্ষম কৰি তোলা।" উক্ত শিবিৰত ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰম (RBSK) আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন (NHM)-ৰ অধীনত ০-১৮ বছৰ বয়সৰ শিশুসকলৰ মাজত ৫০ বিধৰো অধিক স্বাস্থ্যজনিত সমস্যা পৰীক্ষা কৰা হয়। বিদ্যালয়, চাহ বাগিচা আৰু আঙ্গনৱাড়ী কেন্দ্ৰৰ পৰা শিশুসকলক বিভিন্ন বিভাগৰ যৌথ সমন্বয়ৰ মাধ্যমেৰে অনাৰ ব্যৱস্থা কৰা হয়। পেডিয়াট্ৰিক্স, ই.এন.টি., চকুৰ চিকিৎসা, চৰ্মৰোগ, দন্ত চিকিৎসা, অস্থি চিকিৎসা, গাইনেক'লজী আৰু জেনেৰেল মেডিচিন আদিৰ বিশেষজ্ঞ চিকিৎসক দলে আজিৰ এই শিবিৰত উপস্থিত থাকি স্বাস্থ্য সেৱা আগবঢ়ায় আৰু বিনামূলীয়া ঔষধ, পৰীক্ষা সুবিধা, পুষ্টি আৰু স্বাস্থ্য-সচেতনতামূলক পৰামৰ্শ দিয়ে। মুঠ ২৭১০জন ০-১৮ বছৰ বয়সৰ শিশোৱে এই স্বাস্থ্য শিবিৰত অংশগ্ৰহণ কৰে, যাৰ ইয়াৰে ৩৯১ গৰাকীক উন্নত চিকিৎসাৰ বাবে অসম মেডিকেল কলেজ আৰু হস্পিটেল (AMCH) ডিব্ৰুগড়, গুৱাহাটী মেডিকেল কলেজ আৰু হস্পিটেল (GMCH) আৰু তিনিচুকীয়া মেডিকেল কলেজ আৰু হস্পিটেল (TMCH)-লৈ প্ৰেৰণ কৰা হয়। স্বাস্থ্য বিভাগৰ লগতে শিক্ষা বিভাগ, সমাজ কল্যাণ বিভাগ, চাহ বাগিচাৰ প্ৰতিনিধি, শিক্ষক, অভিভাৱক আৰু স্থানীয় বহু সংখ্যক গণ্যমান্য ব্যক্তিয়ে আজিৰ এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# ওদালগুৰিত তিনিদিনীয়া আদি কৰ্মযোগী জিলাভিত্তিক প্ৰশিক্ষণৰ সফল সামৰণি



**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৮ অক্টোবৰ ঃ** ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত আজি ওদালগুৰিত আদি কৰ্মযোগী অভিযানৰ ওপৰত চলি থকা তিনিদিনীয়া জিলা ভিত্তিক প্ৰশিক্ষণ শিবিৰৰ সফল সামৰণি পৰে। ওদালগুৰি জিলা আয়ুক্তৰ প্ৰেক্ষাগৃহত চলি থকা এই প্ৰশিক্ষণ শিবিৰটোত জিলা খনৰ বিভিন্ন উন্নয়ন খণ্ডৰ বিভিন্ন বিভাগৰ প্ৰতিনিধি সকলে মাষ্টাৰ ট্ৰেইনৰ হিচাপে অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত উপস্থিত থাকি মহকুমা সদৰ বিষয়া শশী কুমাৰ ডেকাই অংশগ্ৰহণকাৰী মাষ্টাৰ ট্ৰেইনৰ সকলৰ ভৱিষ্যত কাৰ্যপ্ৰণালী সম্পৰ্কে বক্তব্য ৰাখে আৰু এই ক্ষেত্ৰত তেওঁলোকে উপস্থাপন কৰা বিভিন্ন প্ৰশ্নৰ সমাধান দিয়ে। সহকাৰী আয়ুক্ত তথা ন'ডেল অফিচাৰ অনন্যা দত্তই জনায় যে জিলা খনৰ ৫টা উন্নয়ন খণ্ড আৰু ২ আংশিক উন্নয়ন খণ্ডৰ অন্তৰ্গত চিনাক্ত কৰা ২৫৩খন জনজাতীয় গাঁৱত পৰৱৰ্তী পৰ্যায়ত এই অভিযান আৰম্ভ কৰা হ'ব। সেই অনুসৰি ওদালগুৰিত ৭৪, ভেৰগাঁৱত ৯২, মাজবাটত ১২, ৰৌতাত ১৬, কালাইগাঁৱত ২০, খৈৰাবাৰীত ১৯, পুব মংগলদৈ আংশিকত ৬ আৰু বেচিমাৰী আংশিক উন্নয়ন খণ্ডত ১৪খন গাঁৱত এই কাৰ্যসূচী ৰূপায়ণৰ মাজেৰে জনজাতীয় সম্প্ৰদায়ৰ লোকসকলৰ উন্নয়নৰ কাৰণে কাম কৰা হ'ব বুলি তেওঁ বক্তব্য ৰাখে। লগতে অনুষ্ঠানটোত সুন্দৰ ভাৱে প্ৰশিক্ষণ প্ৰদান কৰা মাষ্টাৰ ট্ৰেইনৰ মুন জ্যোতি কাশ্যপ, বিবুংছা বাগলাৰী, মনজিৎ দাস আৰু ইজৰা বাগলৰীৰ লগতে সহযোগিতা আগবঢ়োৱা এম. আৰ. এছ. ডিৰ অধ্যক্ষ ড° মিলন দাসৰ লগতে উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে। আনহাতে এক বাৰ্তাত ওদালগুৰিৰ জিলা আয়ুক্ত পুলক পাটগাৰীয়ে সকলোকে শুভেচ্ছা জ্ঞাপন কৰে আৰু পৰৱৰ্তী সময়ত মাষ্টাৰ ট্ৰেইনৰ, বিভিন্ন বিভাগ, স্বেচ্ছাসেৱী সংগঠন, আত্মসহায়ক গোট, গাওঁ বুঢ়া, স্থানীয় লোক আদিৰ সহযোগত এই অভিযানে সফলতাৰে জনজাতীয় গাঁও সমূহৰ উন্নয়নত যুগান্তকাৰী ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

# ৰূপহীহাটৰ তামোলিটুপত চোৰৰ উপদ্ৰপ

**অসম বাৰ্তা, ৰূপহীহাট, ১৮ অক্টোবৰ ঃ** ৰূপহীহাটৰ বিভিন্ন অঞ্চলৰ লগতে সম্প্ৰতি তামোলিটুপ গাৱঁটো চোৰৰ সঘন উপদ্ৰৱ চলিছে। যোৱা পৰহি নিশা তামলিটুপ গাৱঁৰ নুৰুল হাচান নামৰ লোক জনৰ ৰূপসী এণ্টাৰপ্ৰাইজ নামৰ সাৰৰ দোকান খনত চোৰে লুটপাত চলায়। নিশাৰ ভাগত দোকানৰ তলা ভাঙি চোৰে প্ৰায় ২০ লাখ টকাৰ কীটনাশক দৰৱ, সাৰ আদি লুটি লৈ উধাও হ'য়। দীৰ্ঘদিন ধৰি উক্ত দোকান খনৰ জৰিয়তে পৰিয়াল পোহপাল দিয়া লোকজনৰ ব্যৱসায়িক প্ৰতিষ্ঠানত লুট ৰাজ চলাই সকলো লৈ যোৱাত সৰ্বস্বান্ত হৈ পৰিছে লোক জন। ইফালে একে নিশাই চোৰে উক্ত গাঁৱৰে মনিৰুল হকৰ ঘৰতো খিৰিকি ভাঙি ভিতৰত প্ৰৱেশ কৰি আলমাৰিৰ তলা ভাঙি প্ৰায় চাৰি লাখ টকা লুটি নিয়ে বুলি পৰিয়ালে জানিব দিয়ে। ঘটনা সন্দৰ্ভত ভুক্তভোগীয়ে ৰূপহীহাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰি চুৰি চক্ৰটোক কৰায়ত্ত কৰাৰ বাবে দাবী জনাইছে।

# সচেতন যুৱ উন্নয়ন মঞ্চ, কেন্দ্ৰীয় সমিতিৰ সভাপতিক গ্ৰেপ্তাৰ বিহপুৰীয়া আৰক্ষীৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ১৮ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ ন্যায়ৰ সপক্ষে চৰকাৰৰ বিৰুদ্ধে মাত মতাৰ বাবেই লখিমপুৰ জিলাৰ বিহপুৰীয়া আৰক্ষীৰ এটা দলে যোৱা শুক্ৰবাৰে নিশা নিজ গৃহৰ পৰাই গ্ৰেপ্তাৰ কৰে সচেতন যুৱ মঞ্চৰ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পৰমানন্দ গগৈক। বিহপুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত শিমলুগুৰি বহুপথাৰত ঘৰ আছিল পৰমানন্দ গগৈৰ। সামাজিক মাধ্যমত চৰকাৰৰ বিৰুদ্ধে মাত মতাই কাল হ'ল সভাপতি গৰাকীৰ। শুক্ৰবাৰে নিশা বিহপুৰীয়া আৰক্ষী থানাত মাতি সোধা পোচা চলোৱাৰ অন্তত শনিবাৰে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে নেতা জনক। নেতা গৰাকীক বিনাচৰ্তে মুকলি কৰি দিবলৈ সংগঠনটোৱে প্ৰশাসনক এতিয়া দাবী জনাইছে। উল্লেখ্য যে নেতা গৰাকীয়ে ন্যায়িক জিম্মালৈ যোৱাৰ মুহূৰ্ততো সংবাদ মাধ্যমৰ সন্মুখত জুবিনদাৰ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰা পৰিলক্ষিত হয়।

মিঠাতেলৰ মূল্যবৃদ্ধিত প্ৰত্যাহ্বানৰ সন্মুখীন মৃৎশিল্পী

# নগাঁও জিলাত মাটি চাকিৰ চাহিদা হ্ৰাস

**অসম বাৰ্তা, নগাঁও, ১৮ অক্টোবৰ ঃ** পোহৰৰ উৎসৱ দীপাৱলীলৈ মাজত মাথোঁ কেইটামান দিন। দীপাৱলীক কেন্দ্ৰ কৰি সৃষ্টি হৈছে উৎসৱমুখৰ পৰিৱেশ। এই সময়ছোৱাত মাটিৰ, চাকি প্ৰস্তুত কৰিবৰ বাবে মৃৎশিল্পীসকল ব্যস্ত হৈ পৰিছে। নগাঁও জিলাৰ হয়বৰগাঁও, পানীগাঁও চাৰিআলি, নৈনে কুমাৰ গাঁও, শেনচোৱা, ঘাহি আদি বিভিন্ন স্থানত মৃৎশিল্পীসকল মাটি চাকি তৈয়াৰ কৰাত ব্যস্ত হৈ আছে যদিও বিগত বৰ্ষসমূহৰ তুলনাত এইবাৰ মাটিৰ চাকিৰ চাহিদা হ্ৰাস পাইছে। জিলাখনত দুই শতাধিক পৰিয়াল এই শিল্পৰ লগত জড়িত হৈ আছে। কিন্তু বয় বস্তুৰ মূল্যবৃদ্ধিয়ে মৃৎশিল্পীসকলৰ সন্মুখত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। উল্লেখ্য যে দীপাৱলীত চাকি জ্বলাবৰ বাবে প্ৰয়োজন হয় বুজন পৰিমাণৰ মিঠাতেলৰ। বৰ্তমান নগাঁৱৰ বজাৰত প্ৰতি লিটাৰ মিঠাতেলৰ দাম ২৩০-৩০০ টকা। মিঠাতেলৰ অত্যধিক দামৰ বাবে এইবাৰ পূৰ্বৰ দৰে ঘৰ, ব্যৱসায়ী প্ৰতিষ্ঠান আদিত মিঠাতেলৰ চাকি জ্বলাৰ সম্ভাৱনা নাই। এগৰাকী মৃৎশিল্পী মনেশ্বৰ হীৰাই কয়- 'আমি পৰম্পৰা ৰক্ষা কৰি প্ৰতি বছৰে মাটিৰ চাকি প্ৰস্তুত কৰি আহিছো। ইয়াৰ জৰিয়তে আমি পৰিয়াল পোহপাল দি আহিছো। বিশেষকৈ শাৰদীয় দুৰ্গা পূজাৰ সময়ৰ পৰা দীপাৱলী উৎসৱৰ সময়লৈকে মাটিৰ চাকিৰ চাহিদা বৃদ্ধি পায়। আমাৰ মাটি চাকি জিলাখনৰ বিভিন্ন স্থানৰ লোকে ক্ৰয় কৰি লৈ যায়। এইবাৰ গ্ৰাহকে মাটিৰ চাকিৰ বাবে আগতীয়া বন্দৱস্ত কৰা নাই। যাৰ বাবে পূৰ্বৰ তুলনাত মাটিৰ চাকিৰ বিক্ৰী কম হৈছে। আনহাতে মাটি চাকি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় মাটিৰ দামো বৃদ্ধি হৈছে। মিঠাতেলৰ দাম বৃদ্ধি হোৱাত গ্ৰাহকে এইবাৰ মাটিৰ চাকি সৰু হোৱাটো বিচাৰিছে।' অসমৰ পৰম্পৰাগত এই শিল্প জীয়াই ৰাখিবৰ বাবে চৰকাৰে সহযোগিতা আগবঢ়োৱাটো সকলোৱে কামনা কৰিছে।

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত গোলাঘাটত কৃষক মুক্তি-ছাত্ৰ মুক্তিৰ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৮ অক্টোবৰ ঃ** অসমীয়া জাতিৰ কণ্ঠ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ উচিত তদন্ত তথা ন্যায়ৰ দাবীত বিভিন্ন স্থানত অব্যাহত আছে প্ৰতিবাদ। শুক্ৰবাৰে গোলাঘাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত জিলা কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনতিপলমে, কোনো সন্দেহ নৰখাকৈ উচিত তদন্ত, দোষীক কঠোৰতম শাস্তি প্ৰদান কৰাৰ দাবী উত্থাপন কৰে দুয়োটা সংগঠনে। প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি পিণ্টু গগৈ, জিলা সভাপতি আকাশ দাৰ, কাৰ্যকৰী সভাপতি অৰিন্দম তামোলী, সাধাৰণ সম্পাদক জ্যোতিষ্মান বৰা, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জিলা সম্পাদক হিৰক শইকীয়া, নাৰী মুক্তিৰ কেন্দ্ৰীয় সভানেত্ৰী বিমলা গগৈসহ প্ৰায় শতাধিক সংগঠন দুটাৰ শতাধিক লোক উপস্থিত থাকে। অভিযুক্ত শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ লগতে অন্যান্যসকলৰ ফাঁচিৰ দাবী তোলে সংগঠন দুটাই।

# কাতি বিহু আৰু অসমীয়া সমাজ জীৱন

পপী চহৰীয়া

অসমীয়া জাতিৰ সপোনস্বৰূপ হেঁপাহৰ কাতি বিহু। কাতি বিহুৰ অন্য এটি নাম কঙালী বিহু। অসমৰ জাতীয় জীৱনৰ লগত ওতপ্রোত জড়িত থকা জাতীয় উৎসৱ বিহু তিনিটিৰ অন্যতম এটি নাম কাতি বিহু। কাতি বিহু দৰাচলতে আহিন আৰু কাতি মাহৰ সংক্রান্তিৰ দিনা পালন কৰা হয়। এই সময়ত খেতিয়কৰ ভঁৰালত ধান প্রায় শেষ ও শালি ধান চপাবলৈ সমাগত সময় আহি পৰে। অত্যন্ত অভাৱ-অনাটনৰে ভৰা এই সময়তছোৱাত পালিত কাতি বিহুক কঙালী বিহু বুলি জনাজাত আমি সকলোৱে জানো। অসমীয়া সমাজ জীৱনৰ কৃষিভিত্তিক লোক উৎসৱ হিচাপে পৰিগণিত আহিন-কাতিৰ সংক্রান্তিত উদযাপিত তুলসী গছৰ তলত চাকি বন্তি প্রজ্বলন কৰা, খেতিয়কৰ ধাননি পথাৰত চাকি দিয়া, লখিমী আইক ধূপ দীপেৰে আদৰণি জনাই আকাশ বন্তি নিবেদন কৰা আদি অন্যতম। এই পৰম্পৰাগত লোক উৎসৱ কাতি বিহুত সমাজৰ প্রতি ঘৰে ঘৰে তুলসীৰ পুলি ৰোপণ কৰি গধূলিত তুলসীৰ ভেটিত চাকি বন্তি জ্বলাই নাম প্রসংগ মাহ প্রসাদেৰে প্রভু ঈশ্বৰক নিবেদন কৰা হয়। একচিত্তে-একমনে প্রভু ভগৱন্ত ঈশ্বৰৰ শ্রীচৰণত-

"তুলসীৰ তলে তলে মৃগ পহু চৰে।
তাকে দেখি ৰামচন্দ্রই হৰ ধনু ধৰে।"

বুলি মুখে মুখে প্রার্থনা কৰি কৃষিজীৱি অসমীয়াৰ পথাৰ শস্য শ্যামলা হোৱাৰ হেতুকে সমাজৰ এন্ধাৰ বিনাশ কৰি আনক শান্তি — সমৃদ্ধিৰে অসমীয়া সমাজ জীৱনৰ প্রাণৰ স্পন্দন বিহুক বাদ দি কোনো অস্তিত্বৰ কথা ভাবিব নোৱাৰি। সীমাহীন আনন্দ, উলহ-মালহেৰে অসমীয়াৰ হিয়াৰ আমঠু বিহুক সামাজিক উৎসৱ তথা সামূহিক প্রকাশৰ ফল বুজি সমাজ তাত্ত্বিকভাৱে পালন কৰা হয়। অসমীয়া সমাজ সংস্কৃতিৰ এটি নিতান্তই প্রয়োজনীয় অংগস্বৰূপ, কাতি বিহু উৎসৱৰ পৰম্পৰাগতভাৱে প্রচলিত নিয়মানুযাৰে প্রয়োজনীয়তা কোনো কাৰণত নুই কৰিব নোৱাৰি। সংস্কাৰশীল নিয়মসমূহে প্রাকৃতিকভাৱে সামাজিক, ধৰ্মীয়, ৰীতি-নীতি, লৌকিকতাৰ মাজেৰে আনন্দ-মিলনৰ অনুভূতি, ভক্তি-ভাৱনা, লোক-বিশ্বাস আৰু ইজনে সিজনক প্রেৰণ কৰা স্বতঃস্ফূৰ্ত প্রেমৰ মনোভাবৰ আধ্যাত্মিক সৃষ্টিৰ এক অনন্য বান্ধোন।

ইয়াৰ সমান্তৰালকৈ ঘৰৰ চোতালৰ চাৰিও দিশৰ চৌদিশে চৌপাশ, গোহালি ঘৰ, ৰাস্তা পধূলি আদি ইত্যাদি কৃষকৰ খেতিপথাৰত শস্যৰ মংগল কামনা কৰি লখিমী আইক আদৰিবলৈ চাকি বন্তি জ্বলোৱা হয়। আচলতে কাতি বিহু বা কঙালী বিহুত মানুহৰ মাজত উলহ-মালহ, ভোগ-প্রাচুৰ্য বেছিকৈ নাথাকে যদিও পালন কৰিব লগীয়া হয় হেঁপাহৰ কাতি বিহু। কাতি বা কঙালী বুলিলে ইয়াৰ তাৎপৰ্য্য একেবাৰে হীন। সাম্প্রতিক ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ মাজত শৰৎ কালৰ এই কাতি বিহু শৰতৰ দৰে স্নিগ্ধ সমাহিত বুলি গণ্য কৰা হয় জনসমাজত। এই বিহুত প্রাচুৰ্যৰ অহংকাৰ নাশ হ'লে মানুহৰ হৃদয়ৰ আধ্যাত্মিকতাৰ জ্যোতিৰে আলোকিত হয় বুলি লোকবিশ্বাস বিদ্যমান। যিটো সময়ত কৃষকৰ লখিমী ভঁৰালত পকা ধান শেষ হৈ আনটো পকা ধান চপাবলৈ সময় সাজু হয় খেতিয়কৰ। অসমীয়া সমাজৰ কৃষিভিত্তিক লোক উৎসৱ হিচাপে পৰিগণিত এক গুৰুত্বপূর্ণ বহন কৰি ইয়াৰ লগত জড়িত লোকাচাৰসমূহ অসমীয়া কৃষ্টি-সংস্কৃতিৰ এক চহকী অবিচ্ছেদ্য অংশ হিচাপে গণ্য কৰা হয়। কাতি বিহু আৰু অসমীয়া সমাজৰ প্রতিগৰাকী ব্যক্তিয়ে এই বিহুত আনন্দ উপভোগ ইমান নকৰে যদিও পালন কৰিবলৈ নাপাহৰে সকলোৱে। এতেকে কাতি বিহুৰ মূল ভিত্তিয়েই হৈছে কৃষি। কৃষকৰ পথাৰত ধান ৰোপণ কৰাৰ শেষ সময়ৰ নতুন শস্য চপাবলৈ প্রস্তুতি অন্যতম। য'ত এই উৎসৱটি কৃষি জীৱনৰ লগত ওতপ্রোতভাৱে জড়িত অসমীয়া সমাজ জীৱন।

'কঙালী' বা 'অনাটন' নামটোৱে কৃষকৰ গৃহত খাদ্যৰ অভাৱ থকাক বুজায়ই আমি সকলোৱে জানো। খেতিয়কৰ ভঁৰালৰ ধান শস্য শেষ হোৱাৰ এই বিহু আন বিহুতকৈ অতি কম আড়ম্বৰপূর্ণ। কাতি বিহুত অসমীয়া সমাজৰ গৃহত, পথাৰত চাকি জ্বলোৱা কামটোৱে লক্ষ্মীদেৱী বা শস্যৰ অধিষ্ঠাত্রী দেৱী লক্ষ্মীক আদৰী ভঁৰালৰ পথাৰ বৃদ্ধিৰ চহকী কৰাৰ বাবে ঈশ্বৰক আৰাধনা কৰি কাতি বিহুৰ মাধ্যমেৰে অসমীয়া লোক প্রকৃতিৰ একাত্মক পথাৰৰ শস্যৰ বাবে কৃতজ্ঞতা জনোৱাৰ লগতে জীৱনৰ প্রতিটো পৰ্যায়ত কৃষিৰ গুৰুত্ব উপলব্ধি কৰা হয়। অসমীয়া লোকজীৱনৰ এক বিচিত্রময়ী ৰূপৰ প্রকাশ ঘটাই সামূহিকভাৱে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো অসমীয়াই নিৰন্তৰ যাত্রাৰ সমন্বয়ৰ বাৰ্তা বহন কৰি উৎসৱ মুখৰ পৰিৱেশে বিৰাজ কৰে। ইফালে, এনেবোৰ কাৰ্যৰ হেতুকে কাতি বিহু অসমীয়া সমাজৰ এক গুৰুত্বপূর্ণ সাংস্কৃতিক, আধ্যাত্মিক, কৃষিভিত্তিক লোক উৎসৱ হিচাপে আজিও বিদ্যমান অসমীয়া সমাজ জীৱনত। আগন্তুক দিনত উঠি অহাঁ নৱ প্রজন্মৰ প্রতিগৰাকী যুৱক যুৱতীয়ে হেঁপাহৰ বাপতি-সাহন কাতি বিহুক কেনেকৈ পৰম্পৰাগতভাৱে পালন কৰি অসমীয়া সমাজ জীৱনক বিশ্বৰ বুকুত পৰিচয় দাঙি ধৰিবলৈ সক্ষম হয়, এই হ'ব এক গুৰুত্বপূর্ণ বিষয়।

## শৰতৰ কঁহুৱাই মন নিচুকাই

আল্পনা দলে

শুকুলা ডাৱৰৰে আঁচল মেৰিয়াই
মূৰত কুঁৱলীৰ ওৰণি টানি
ন-কন্যা খোজেৰে
নিয়ৰৰ মুকুতা পিন্ধি
স্নিগ্ধ জোনৰ খিলখিল হাঁহিৰে
শ্যামলী সাজেৰে
ৰূপে ৰসে শুভ্র হৈ পৰে কঁহুৱা

সৰিয়হ ফুলীয়া চিকুণী হাঁহি
মূৰদাঙি চাবই নোখোজে চোন
নিমাতী কন্যাৰ লাজুকী সাজ
হালিজালি আবেশ সনা চাৱনিৰে
নৈৰ বুকুত চকু থৈ
ৰিব্ ৰিব্ মলয়াত
ৰাগী লাগি লাস্যময়ী
নাচি বাগি শৰতৰ অহাৰ বাতৰি আনে

নৈ পৰীয়া স্মৃতিৰ কঁহুৱা ফুল
এখোজি দুখোজি কৰি
আগুৱাইছিলোঁ কাষলৈ
লয়লাস ভংগিমাত উতলে হিয়া-মন

শাৰদীয় বতৰত মোহনীয় বিধৌত ৰূপত
কঁহুৱা ফুলেৰে উপবন শুভ্র হৈ পৰে
প্রকৃতিৰ মোহনীয় ৰূপত
শাৰদী সন্ধিয়াৰ জোনাকী মেলা পাতে

কহুঁৱাৰ স'তে মোৰ আজন্ম নাচোন
যৌৱনৰ ক'ত উজাগৰী নিশা
পাৰ কৰিছোঁ বিষাদৰ শেষ ঘোট পি
লহৰত ৰাতিৰ সপোন ভাগে

শাৰদীয় ৰাগীত মন উন্মনা
নিয়ৰত ভিজা দুবৰিত ওলমে
আলসুৱা কঁহুৱাৰ ছিৰিলি ছিৰিলি পাহি
তোৰ পৰশত পাহৰো ভাগৰ
নিৰৱে আলিঙ্গন কৰোঁ
মাথো স্মৃতিত তোৰেই বিচৰণ
জোনাক ৰাতি মৌলৈ মনত পৰেনে

নল-বিৰিণা খাগৰিৰ বুকু ফালি
গৰখীয়াৰ এফাঁকি ঐনিঃতম
গোপনে বুকুত গুজি লওঁ।

## আমাৰ শৈশৱৰ কাতি বিহু

ৰিণু ভট্টাচাৰ্য্য

বিহু আমাৰ জাতীয় উৎসৱ। কাতি বিহু বা কঙালী বিহু আহিন মাহ আৰু কাতি মাহৰ সংক্রান্তিৰ দিনা পালন কৰা হয়। কাতি বিহুক কঙালী বুলি এই কাৰণেই কোৱা হয় এই সময়ত কৃষক ৰাইজৰ ভড়াঁল প্রায় উদং হয়। এই সময়ত অভাৱ-অনাটনে খেতিয়ক ৰাইজক জুৰুলা কৰে। সেয়েহে এই বিহু ওলহ মালহেৰে পালন কৰা নহয়। এই বিহুত তুলসীক পূজা কৰা হয়। ঘৰৰ চোতালত তুলসীৰ ভেটি বনাই মুচি- কাছি তুলসীৰ পুলি ৰুই সন্ধিয়াৰ সময়ত চাকি বন্তি জ্বলাই শৰাই এভাগ দিয়াৰ নিয়ম। লগতে আহাৰ-শাওণ মাহত পথাৰত ৰোৱা সোণগুটি সোণোৱালী শইচৰ থোক মেলাৰ সময়, সেই সময়ত পথাৰত পোক- পতংগ, নিগৰি-এন্দুৰ আদিৰ উপদ্রৱ বাঢ়ে। সেয়ে কৃষক ৰাইজৰ আশাৰ সোণগুটিৰ একো অনিষ্ট নহবৰ বাবে কাতি বিহুৰ দিনা আবোলৰ গে ঘৰৰ গৃহনাৰ গৰাকীয়ে খেতি পথাৰত চাকি- বন্তি জ্বলাই বছৰটো শস্য- শ্যামলাৰে ভৰি পৰাৰ আশা কৰে। ঘৰৰ আগফাল -পাছফালে থকা শাকনি বাৰি, ভড়াঁল ঘৰ, গোহালিত আদিত নীতি নিয়মেৰে চাকি জ্বলাই লক্ষ্মীৰ দেৱীক আহ্বান জনায়। কোনো কোনো ঠাইত আকাশ বন্তি জ্বলোৱাৰ নিয়ম পালন কৰি আহিছে। এতিয়া আহো আমাৰ শৈশৱৰ দিনবোৰৰ কাতি বিহু। ৰাতি পুৱাৰে পৰা ব্যস্ততাৰ অন্ত নাই। ঘৰৰ সকলো মিলি তুলসীৰ ভেটি বনাও, লেপি মুচি ফুলেৰে সজাই পৰাই ভেটিটো ধুনীয়া কৰোঁ। আকৌ ওচৰৰ লগৰ সমনীয়াৰ ঘৰৰ কিমান ধুনীয়া কৈ সজাইছে প্রতিযোগিতা চলে। সন্ধিয়া হ'ল মাত্রকে মায়ে তুলসীৰ তলত দিয়া শৰাই সোনকালে সামৰে সেই ধান্দাত থাকো, কাৰণ ওচৰত সকলোৰে ঘৰতেই "তুলসীৰ তলে মৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্রই শৰ ধনু ধৰে "তুমি চৃত বৃত্তি মোৰ, 'মুক্তি তনি স্পৃহ যিটো সেহি ভকতৰ নমো" গায় গায় মাহ প্রসাদ গোটোৱাৰ অঘোষিত প্রতিযোগিতা সমনীয়াৰ মাজত। সেই দিনবোৰৰ সুকীয়া পৰিবেশ আৰু মাদকতাই বেলেগ আছিল। সময় সলনি হ'ল, বতমান কি নগৰ-চহৰ, কি গাওঁ ক'তো এই পৰিবেশ পাবলৈ নাই। আজিৰ লৰা-ছোৱালীৰ সেই দুৰ্বাৰ হেঁপাহ নাই। তাহানিৰ দিনৰ কথা মনত পৰিলে বৰ্তমানো নষ্টালজিক হৈ পৰো। যদিও কাতি বিহুৰ সময়ত অভাৱ অনাটনে ভৰা তথাপি বিহুৰ প্রাসংগিকতা এতিয়াও আছে অসমীয়া জাতি জীয়াই থাকে মানে থাকিব।

# অসমীয়া সংস্কৃতিত কাতি বিহু

পপী চহৰীয়া

অসমৰ কৃষি সংস্কৃতিত গভীৰভাৱে শিপাই থকা বিহু উৎসৱে প্রকৃতি আৰু কৃষিৰ সৈতে সম্প্রদায়টোৰ সম্পর্কক প্রতিফলিত কৰে। তিনিটা প্রধান বিহু উৎসৱৰ ভিতৰত কাতি বিহু অন্যতম। কঙালী বিহু নামেৰেও পৰিচিত কাতি বিহু শৰৎকালত পালন কৰা হয়।

সাধাৰণতে অসমীয়া আহিন মাহৰ শেষৰ দিনটোত অথাৎ আহিন মাহৰ দোমাহীৰ দিনা আৰু ইংৰাজী অক্টোবৰ মাহৰ মাজভাগত কাতি বিহু পালন কৰা হয়। ইয়াৰ উৎপত্তি প্রাচীন কৃষি পদ্ধতিৰ পৰাই অনুমান কৰিব পাৰি, য'ত কৃষকসকলে নদন-বদন শস্যৰ বাবে প্রার্থনা আৰু আশীর্বাদ বিচাৰি এই বিহু পালন কৰিছিল। "কাতি" শব্দটোৱে এই উৎসৱ হোৱা মাহটোক বুজায়, আনহাতে "বিহু" সংস্কৃত শব্দ "বিষু"ৰ পৰা উদ্ভৱ হৈছে, যিয়ে দেৱতাৰ পৰা সমৃদ্ধিৰ বাবে কৰা অনুৰোধ বুজায়।



কাতি মাহত ধানৰ গছবোৰ পুলি অৱস্থাত থাকে, পথাৰত গজি উঠে যদিও শস্য উৎপাদন কৰা নাই। শস্যৰ ভঁৰালবোৰ সাধাৰণতে উদং হৈ থাকে, আৰু খাদ্যৰ মজুত ন্যূনতম। সেয়েহে ই আৰাধনাৰ সময়, প্রচুৰতাৰ সময় নহয়। "কঙালী" নামটোৱে অৰ্থাৎ "দুখীয়া" নামটোৱে ঋতুৰ বিনয়ৰ ওপৰত আলোকপাত কৰে। কিন্তু এই অনুভূত দৰিদ্রতা হতাশাৰ নহয়; বৰঞ্চ ই প্রকৃতিৰ প্রতি "আশা, সংযম আৰু শ্রদ্ধা" প্রতিফলিত কৰে।

প্রাক-আধুনিক কালত কাতি মাহটো এনেকুৱা এটা সময় আছিল যেতিয়া কৃষকে নিজৰ শস্যৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছিল আৰু কীট-পতংগ, বানপানী আৰু অন্যান্য প্রাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা পাবলৈ প্রার্থনা কৰিছিল। এই প্রেক্ষাপটত কাতি বিহু ভোজৰ উৎসৱতকৈ "আধ্যাত্মিক পালন" হিচাপে আত্মপ্রকাশ কৰিছিল।

অসমীয়া সমাজ জীৱনৰ সৰলতাৰ মাজতো কাতি বিহু কিছুমান আচাৰ-ব্যৱহাৰৰ প্রতীককৰে চহকী। এই দিনটোত কৃষি আৰু আধ্যাত্মিকতাৰ সৈতে ওতপ্রোতভাৱে জড়িত কেইবাটাও মূল প্রথাৰ আয়োজন কৰা হয়। কাতি বিহুৰ অন্যতম দৃষ্টি আকৰ্ষণীয় বৈশিষ্ট্য হ'ল ধাননি পথাৰ, বাৰী, আৰু তুলসী গছৰ তলত মাটিৰ চাকি জ্বলোৱা। এই চাকিবোৰ সন্ধিয়া জ্বলোৱা হয় আৰু শস্যৰ ক্ষতি কৰিব পৰা দুষ্ট আত্মা আৰু পোক-পৰুৱাক আঁতৰাই পেলায় বুলি বিশ্বাস কৰা হয়। ধাননি পথাৰত "আকাশ বন্তি" নামৰ প্রথাত বাঁহৰ খুঁটাৰ ওপৰত বন্তি ৰখা হয়। এই কাৰ্য্যই পৃথিৱী আৰু ঐশ্বৰিকতাৰ মাজৰ সংযোগৰ প্রতীক, কৃষকসকলৰ ফলপ্রসূ শস্যৰ আশা প্রকাশ কৰে। ঘৰুৱা চোতালত পবিত্র "পবিত্র তুলসী"ৰ তলত চাকি জ্বলোৱাটো আন এক অপৰিহাৰ্য অনুষ্ঠান। ভক্তসকলে চাকি জ্বলাই ধন-সম্পত্তি আৰু সমৃদ্ধিৰ দেৱী "লক্ষ্মী" ৰ ওচৰত প্রার্থনা কৰে, ঘৰুৱা মংগল আৰু কৃষি প্রচুৰতাৰ বাবে তেওঁৰ আশীর্বাদ আমন্ত্রণ জনায়। নৃত্য, ভোজ, আনন্দৰে চিহ্নিত হোৱা ৰঙালী আৰু ভোগালী বিহুৰ বিপৰীতে কাতি বিহু "আধ্যাত্মিক ভাৱে" পালন কৰা হয়। বহুতে এই দিনটোত আংশিক বা সম্পূর্ণ উপবাস পালন কৰে, নিজকে "আধ্যাত্মিক প্রতিফলন" আৰু "প্রার্থনা" ৰ বাবে উৎসৰ্গা কৰে। "দেৱী লক্ষ্মী" আৰু "খেতি পথাৰৰ ৰক্ষক আত্মা"লৈ বিশেষ প্রার্থনা কৰা হয়। বিশেষকৈ কৃষকসকলে নিজৰ শস্যৰ বাবে ঐশ্বৰিক সুৰক্ষা বিচাৰে আৰু সময়মতে বৰষুণ আৰু সুস্থ উদ্ভিদৰ বৃদ্ধিৰ কামনা কৰে। কাতি বিহুৰ সময়ত গৰু-ম'হকো বিশেষ গুৰুত্ব দিয়া হয়। যিহেতু পৰম্পৰাগত খেতিত পশুধনে অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে, সেয়েহে গাঁৱৰ মানুহে নিজৰ গৰু-ম'হৰ স্বাস্থ্য নিশ্চিত কৰিবলৈ সহজ-সৰল নীতি -নিয়ম কৰে। আনকি কোনো কোনোৱে নিজৰ জীৱ-জন্তুক সন্মান আৰু সুৰক্ষাৰ বাবে গো-গোহালিত সৰু সৰু মাটিৰ চাকি জ্বলাই দিয়ে।

কাতি বিহু সাধাৰণ অৰ্থত উদযাপন নহবও পাৰে, কিন্তু ই "গভীৰ সাংস্কৃতিক অনুৰণন" কঢ়িয়াই লৈ ফুৰে। ই 'অনুশাসন, বহনক্ষমতা, আৰু প্রকৃতিৰ সৈতে আন্তঃসংযোগৰ মূল্যবোধ" প্রতিফলিত কৰে। কাতি বিহুৱে মানুহক "প্রকৃতিৰ ছন্দ" আৰু বীজ চপোৱাৰ চক্রৰ প্রতি সচেতন হ'বলৈ সোঁৱৰাই দিয়ে। পথাৰত বিনিয়োগ কৰা শ্রমৰ ওপৰত চিন্তা কৰি ধৈৰ্য্য ধৰি প্রকৃতিৰ উভতি অহাৰ বাবে অপেক্ষা কৰি থকা সময়। কাতি বিহুৰ সময়ত ভোজ-ভাত আৰু উৎসৱৰ অভাৱক কোনো অভাৱ বুলি নাভাবি "পৰিৱেশৰ লগত মিলাপ্রীতিৰে জীয়াই থকাৰ ইচ্ছাকৃত বাছনি" বুলি গণ্য কৰা হয়। ই "ন্যূনতমতাবাদ, কৃতজ্ঞতা, আৰু আশা" ৰ ওপৰত ভিত্তি কৰি জীৱনশৈলীৰ প্রসাৰ ঘটায়, যিবোৰ নীতি বহনক্ষম জীৱন আদৰ্শৰ সৈতে গভীৰভাৱে অনুৰণিত হয়। কাতি বিহুত নৃত্য বা সংগীতৰ দৰে ৰাজহুৱা উদযাপনৰ অভাৱ হ'লেও ই "সম্প্রদায়ৰ সম্পর্ক" মজবুত কৰে। পথাৰত চাকি জ্বলোৱাটো পৰম্পৰাগত কাম, আৰু মানুহে ইজনে সিজনৰ ঘৰলৈ গৈ প্রার্থনা আৰু আশীর্বাদ ভাগ-বতৰা কৰে।

আধুনিক যুগত নগৰায়ন আৰু আধুনিকীকৰণে উৎসৱ উদযাপনৰ ধৰণ সলনি কৰিলেও অসমীয়া মানুহৰ অন্তৰত "কাতি বিহুৱে এতিয়াও এক পবিত্র স্থান" দখল কৰি আছে।

মহানগৰতো বহু অসমীয়া ঘৰত তুলসী গছৰ তলত মাটিৰ চাকি জ্বলোৱাৰ পৰম্পৰা পালন কৰে। গ্রাম্য অঞ্চলত কৃষকসকলে আকাশ বন্তিৰ অনুষ্ঠান অব্যাহত ৰাখিছে, পৰিৱেশ, আধ্যাত্মিকতা, সংস্কৃতিৰ মিশ্রণেৰে এক প্রাচীন পৰম্পৰাক জীয়াই ৰাখিছে। শিক্ষানুষ্ঠান আৰু সাংস্কৃতিক সংগঠনসমূহে এই সময়ত "সজাগতা কাৰ্যসূচী", "লোক পৰিবেশন", আৰু "কৃষি প্রদৰ্শনী" অনুষ্ঠিত কৰি নৱপ্রজন্মক কাতি বিহুৰ গুৰুত্বৰ বিষয়ে জ্ঞান প্রদান কৰে। কিছুমান বিদ্যালয়ে শিশুসকলক তেওঁলোকৰ সাংস্কৃতিক শিপা অন্বেষণ কৰি উৎসাহিত কৰিবলৈ ৰচনা লিখা আৰু চিত্রাংকন প্রতিযোগিতা আয়োজন কৰে।

শেহতীয়া বছৰবোৰত "জলবায়ু পৰিৱৰ্তন" আৰু "জৈৱিক কৃষি" সম্পর্কে সজাগতা বৃদ্ধিৰ লগে লগে কাতি বিহুৰ বাৰ্তাই নতুন প্রাসংগিকতা লাভ কৰিছে। পৰিৱেশ ভাৰসাম্য, বহনক্ষম কৃষি, আৰু আধ্যাত্মিক কৃতজ্ঞতাৰ ওপৰত এই উৎসৱৰ গুৰুত্বই ইয়াক আধুনিক বিশ্বত "পৰিৱেশ সচেতনৰ বাবে এক স্তম্ভ" হিচাপে স্থান দিছে।

কাতি বিহুৰ বিষয়বস্তু— ধৈৰ্য্য, ভক্তি, মাটিৰ লগত সংযোগ—সততে "অসমীয়া সাহিত্য, গীত, লোকশিল্প" ত প্রকাশ পাইছে। বহু কবি-সাহিত্যিকে "অনিশ্চয়তাৰ মাজত আশা" ৰ উপমা হিচাপে অন্ধকাৰ পথাৰত "জিলিকি থকা আকাশ বন্তি"ৰ চিত্রকল্প আঁকি লৈছে। এই সময়ছোৱাত গোৱা লোকগীত সুৰত বশ হৈ ধ্যানমগ্ন আৰু আত্মস্পর্শী মনোভাৱৰ প্রতিফলন ঘটে। শিল্পীসকলে কাতি বিহুক চিত্রকলা আৰু শিল্পকৰ্মত বিষয় হিচাপে ব্যৱহাৰ কৰে, নিজৰ পথাৰত কৃষক, চাকি জ্বলোৱা মহিলা, অক্টোবৰৰ আকাশৰ তলত জিলিকি থকা গ্রাম্য অঞ্চলৰ চিত্র অংকন কৰে। এই কলাত্মক প্রকাশভংগীয়ে বিহু পৰম্পৰাৰ অস্পষ্ট ঐতিহ্য সংৰক্ষণ আৰু প্রচাৰত সহায় কৰে।

কাতি বিহুক সম্পূর্ণৰূপে জানিবলৈ হ'লে ইয়াক "ত্রিপাক্ষিক বিহু চক্র"ৰ অংশ হিচাপে চোৱাটো অতি প্রয়োজনীয়:

১/ ৰঙালী বিহু (ব'হাগ বিহু)— এপ্রিল মাহত উদযাপন কৰা এই বিহুত "অসমীয়া নৱবৰ্ষৰ আৰম্ভণি" আৰু বীজ সিঁচাৰ বতৰ আৰম্ভ হয়। তিনিওটাৰে ই আটাইতকৈ উৎসৱমুখৰ আৰু স্পন্দনশীল।

২/ কাতি বিহু (কঙালী বিহু) — অক্টোবৰ মাহত উদযাপিত এই শস্যৰ "সংক্রমণকালীন পৰ্যায়"—বৃদ্ধি কিন্তু উৎপাদন নাই। "আশা, অনুশাসন, আৰু প্রার্থনা" ৰ সময়।

৩/ ভোগালী বিহু (মাঘ বিহু) — জানুৱাৰী মাহত উদযাপন কৰা এই অনুষ্ঠানত "চপোৱাৰ বতৰ" শেষ হয়, সম্পূর্ণ শস্যৰ ভঁৰাল আৰু প্রীতি ভোজ, মেজিৰ জুই, আৰু খেল-ধেমালি আদি হয়। বিহুৰ এই ত্রিপুৰাটোৱে "অসমৰ কৃষি চক্র" ক প্রতিফলিত কৰিছে, প্রাকৃতিক জগতৰ সৈতে মানৱ জীৱনক অন্তৰংগভাৱে সংযোগ কৰিছে। প্রতিটো বিহুৰ সুকীয়া সোৱাদ আছে, কিন্তু একেলগে ইহঁতে "সামগ্রিক অসমীয়া বিশ্বদৃষ্টিভংগী" প্রতিফলিত কৰে—প্রকৃতি উদযাপন, বহনক্ষমভাৱে জীয়াই থকা, আৰু প্রচুৰতা আৰু তপস্যা দুয়োটাতে আনন্দ লাভ কৰা।

ক্রমান্বয়ে ভোগবাদ, পৰিৱেশ অৱক্ষয়, প্রকৃতিৰ পৰা বিচ্ছিন্নতাৰ আধিপত্য বিস্তাৰ কৰা পৃথিৱীখনত কাতি বিহুৰ নিস্তব্ধ প্রজ্ঞাই গভীৰ শিক্ষা আগবঢ়ায়। ই আমাক শিকাইছে যে উৎসৱবোৰ সদায় উপভোগৰ বিষয়ে হোৱাটো প্রয়োজন নহয়; "সংৰক্ষণ, প্রার্থনা, আৰু মননশীলতা"ৰ বিষয়েও হ'ব পাৰে।

কাতি বিহু কেৱল সাংস্কৃতিক পৰম্পৰা নহয়; ই এটা "জীৱন্ত দৰ্শন" যিয়ে বৈ থকা, প্রাকৃতিক চক্রক সন্মান কৰা আৰু পৰিৱেশৰ সৈতে সহাৱস্থানৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। ইয়াত ধৈৰ্য্য, বহনক্ষমতা, সম্প্রদায় আৰু জীৱনৰ প্রতি শ্রদ্ধা আদি মূল্যবোধসমূহ সন্নিবিষ্ট কৰা হৈছে— এই সকলোবোৰ সুষম আৰু অৰ্থপূর্ণ অস্তিত্বৰ বাবে অপৰিহাৰ্য।

# কাতি বিহুৰ সৰলতাত লুকাই থকা গভীৰতা

সত্যব্রত বৰা

কাতি বিহু অসমৰ তিনিটা বিহুৰ ভিতৰত এক অন্যতম বিহু।কাতি বিহুক কঙালী বিহু বা দৰিদ্র বিহু বুলিও জনা যায়। অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ হিচাপে কাতি বিহুৰ সৈতে জড়িত আছে গভীৰ সামাজিক, আৰ্থিক আৰু আধ্যাত্মিক তাৎপৰ্য।আহিন আৰু কাতি মাহৰ সংক্রান্তিৰ দিনা কাতি বিহু পালন কৰা হয়, যেতিয়া শস্যৰ খেতিৰ প্রাথমিক পৰ্যায় সম্পূর্ণ হৈ ধানৰ গছবোৰ লাহে লাহে বাঢ়ি উঠে। কৃষকৰ মনত শস্যৰ উৎপাদনৰ বাবে একপ্রকাৰ চিন্তা আৰু আশাৰ মিশ্রিত অনুভৱ থাকে। কাতি বিহুৰ তাৎপৰ্য বুজিবলৈ হ'লে ইয়াৰ ঐতিহ্য, পৰম্পৰা আৰু সমাজত ইয়াৰ প্রভাৱৰ ওপৰত আলোচনা কৰাটো প্রয়োজনীয়।

ব'হাগ বিহুৰ উৎসৱমুখৰ পৰিৱেশ বা মাঘ বিহুৰ আনন্দ-উল্লাসৰ দৰে উচ্ছলতা কাতি বিহুত দেখা নাযায়। কাতি বিহুত কৃষকসকলে নিজৰ খেতিৰ শস্যৰ সুৰক্ষাৰ বাবে প্রার্থনা কৰে। কাতি মাহত শস্যৰ গছবোৰ বাঢ়ি উঠে যদিও এই সময়ত পোক-পৰুৱাৰ আক্রমণৰ সম্ভাৱনা বেছি থাকে। তদুপৰি কৃষকৰ ঘৰত পুৰণি শস্যৰ ভঁৰাল প্রায় শেষ হৈ আহে আৰু নতুন শস্যৰ উৎপাদনৰ বাবে অপেক্ষা কৰিবলগীয়া হয়। এই কাৰণে এই বিহুক কঙালী বিহু বুলিও কোৱা হয়। কিন্তু এই নামৰ আঁৰতো এটা গভীৰ তাৎপৰ্য আছে। কঙালী শব্দই কেৱল দৰিদ্রতাৰ কথা নুবুজায়, বৰঞ্চ ই একপ্রকাৰ আত্মনিৰ্ভৰশীলতা আৰু ধৈৰ্যৰো প্রতীক। কৃষকসকলে নিজৰ কষ্টৰ ফলৰ বাবে অপেক্ষা কৰে আৰু প্রকৃতিৰ ওপৰত ভৰসা ৰাখে।

কাতি বিহুৰ এটা প্রধান পৰম্পৰা হৈছে তুলসী গছৰ তলত দীপ জ্বলোৱা। অসমীয়া সমাজত তুলসী গছক পবিত্র গছ হিচাপে গণ্য কৰা হয় আৰু ইয়াক ঘৰৰ সমৃদ্ধিৰ প্রতীক বুলি বিশ্বাস কৰা হয়। কাতি বিহুৰ দিনা সন্ধিয়া পৰিয়ালৰ লোকসকলে তুলসী গছৰ তলত মাটিৰ দীপ জ্বলোৱাৰ লগতে প্রার্থনা কৰে। দীপ জ্বলোৱাৰ পৰম্পৰাৰ জৰিয়তে প্রকৃতিৰ প্রতি কৃতজ্ঞতা প্রকাশ কৰাৰ লগতে শস্যৰ সুৰক্ষাৰ বাবে প্রার্থনা কৰা হয়। কিছুমান অঞ্চলত আকাশবন্তি জ্বলোৱাৰো পৰম্পৰা আছে। এনে পৰম্পৰাৰ জৰিয়তে কৃষকসকলে নিজৰ শস্যৰ পৰা পোক-পৰুৱা আঁতৰ কৰাৰ প্রতীকী প্রচেষ্টা কৰে। এনে কাৰ্যই কৃষকৰ জীৱনৰ সৈতে প্রকৃতিৰ গভীৰ সম্পর্কৰ ইঙ্গিত দিয়ে।

কাতি বিহুৰ আন এটা গুৰুত্বপূর্ণ দিশ হৈছে ইয়াৰ আধ্যাত্মিক তাৎপৰ্য। কৃষকসকলে কেৱল শস্যৰ সুৰক্ষাৰ বাবেই নহয়, নিজৰ পৰিয়ালৰ সুখ-শান্তিৰ বাবেও প্রার্থনা কৰে। অসমীয়া সমাজত বিশ্বাস কৰা হয় যে কাতি বিহুৰ সময়ত প্রকৃতিৰ সৈতে এক সুকীয়া সম্পর্ক গঢ়ি উঠে। তুলসী গছৰ তলত দীপ জ্বলোৱাৰ পৰম্পৰাৰ জৰিয়তে এই সম্পর্কক আৰু দৃঢ় কৰা হয়। ইয়াৰ উপৰিও কিছুমান অঞ্চলত নামঘৰত বিশেষ প্রার্থনা কৰা হয়, য'ত গাঁৱৰ সকলো লোকে একত্রিত হৈ ঈশ্বৰৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰে। আধ্যাত্মিক দিশটোৱে কাতি বিহুক কেৱল কৃষিৰ সৈতে জড়িত উৎসৱ নহয়, বৰঞ্চ এক মানৱীয় আৰু সামাজিক উৎসৱ হিচাপেও পৰিচয় দিয়ে।

> কাতিৰ কৃষ্ণ প্রতিপদৰ পৰা পূৰ্ণিমালৈকে সূৰ্যোদয়ৰ আগতে নিয়মিত নদী বা পুখুৰীত স্নান কৰিলে শাশ্বত পুণ্য লাভ হয়। এই মাহত জপ, তপ, ব্রত, আৰু সাধনা কৰাটো ভক্তসকলৰ মাজত বিশেষভাৱে প্রচলিত। কাতি মাহতে কত্যায়িনী ব্রত পালন কৰা হয়।

কাতি বিহুৰ সৈতে অসমৰ কৃষি অৰ্থনীতিৰো এক গভীৰ সম্পর্ক আছে। অসম এখন কৃষিপ্রধান ৰাজ্য। কাতি বিহুৰ সময়ত কৃষকৰ জীৱনৰ সংগ্রাম আৰু আশা স্পষ্টকৈ প্রতিফলিত হয়। কাতি মাহত কৃষকৰ ঘৰত খাদ্যৰ ভঁৰাল প্রায় শেষ হৈ আহে আৰু নতুন শস্যৰ বাবে এতিয়াও কিছু সময় অপেক্ষা কৰিবলগীয়া থাকে। কাতি বিহুৰ সময়ত কৃষকৰ মনত একপ্রকাৰ শান্তি আৰু ধৈৰ্যৰ ভাৱ জাগ্রত হয়। তেওঁলোকে প্রকৃতিৰ ওপৰত ভৰসা কৰি নিজৰ কৰ্মৰ ফলৰ বাবে অপেক্ষা কৰে। কাতি বিহুৰ জৰিয়তে কৃষকসকলে নিজৰ কষ্টৰ মূল্য বুজি পায় আৰু প্রকৃতিৰ সৈতে সহঅৱস্থানৰ গুৰুত্ব উপলব্ধি কৰে।

কাতি বিহুৰ সৈতে জড়িত পৰম্পৰাবোৰ অতি সৰল যদিও ইয়াৰ তাৎপৰ্য অতি গভীৰ। কাতি বিহুৰ জৰিয়তে অসমীয়া সমাজৰ সংযম, ধৈৰ্য আৰু কৃতজ্ঞতাৰ গুণবোৰ প্রকাশ পায়। ব'হাগ বিহুৰ উৎসাহ আৰু মাঘ বিহুৰ সমৃদ্ধিৰ মাজত কাতি বিহু এটা শান্ত আৰু আধ্যাত্মিক উৎসৱ। ইয়াৰ জৰিয়তে অসমীয়া সমাজে প্রকৃতিৰ সৈতে নিজৰ সম্পর্কক আৰু দৃঢ় কৰে।

আধুনিক যুগত কাতি বিহুৰ পৰম্পৰা কিছু পৰিমাণে সলনি হৈছে। নগৰীয়া জীৱনত বহুতে এই বিহুৰ তাৎপৰ্য পাহৰি পেলাইছে, কিন্তু গ্রাম্য অঞ্চলত এতিয়াও এই উৎসৱ অতি শ্রদ্ধাৰে পালন কৰা হয়। তুলসী গছৰ তলত দীপ জ্বলোৱা, নামঘৰত প্রার্থনা কৰা আৰু আকাশবন্তি উৰোৱাৰ পৰম্পৰাই অসমীয়া সংস্কৃতিৰ শিপাৰ সৈতে মানুহক সংযোগ কৰি ৰাখে। কাতি বিহুৰ জৰিয়তে নতুন প্রজন্মই প্রকৃতিৰ প্রতি কৃতজ্ঞতা আৰু কৃষিৰ গুৰুত্বৰ বিষয়ে জানিব পাৰে।

কাতি বিহুৰ তাৎপৰ্য কেৱল ধৰ্মীয় বা কৃষিৰ সৈতে সীমাবদ্ধ নহয়। ই এটা সামাজিক সংহতিৰ প্রতীকো। গাঁৱৰ মানুহে একত্রিত হৈ প্রার্থনা কৰে, যাৰ ফলত সমাজৰ মাজত একতাৰ ভাৱ জাগ্রত হয়। ইয়াৰ উপৰিও কাতি বিহুৱে মানুহক সংযম আৰু ধৈৰ্যৰ শিক্ষা দিয়ে। জীৱনৰ সংগ্রামৰ মাজতো আশা আৰু বিশ্বাসৰ জৰিয়তে আগবাঢ়ি যোৱাৰ প্রেৰণা কাতি বিহুৱে প্রদান কৰে।

কাতি বিহু অসমীয়া সংস্কৃতিৰ এক অনন্য উৎসৱ, যিয়ে প্রকৃতি, কৃষি আৰু আধ্যাত্মিকতাৰ মাজত এক সুন্দৰ সেতুবন্ধন গঢ়ি তুলিছে। ইয়াৰ সৰলতাৰ মাজতেই লুকাই আছে ইয়াৰ গভীৰ তাৎপৰ্য। কাতি বিহুৱে অসমীয়া মানুহক প্রকৃতিৰ সৈতে জড়িত থাকিবলৈ, কষ্টৰ মাজতো ধৈৰ্য ধৰিবলৈ আৰু জীৱনৰ প্রতি কৃতজ্ঞতা প্রকাশ কৰিবলৈ শিকায়। কাতি বিহুৱে অসমীয়া সমাজৰ শিপাৰ সৈতে সংযোগ ৰক্ষা কৰি ৰাখে আৰু নতুন প্রজন্মক তেওঁলোকৰ ঐতিহ্যৰ গুৰুত্ব বুজিবলৈ প্রেৰণা দিয়ে।



# কাতি বিহু অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ

নিবেদিতা হাজৰিকা

কাতি বিহু অসমৰ তিনিটা বিহুৰ ভিতৰত অন্যতম লোক উৎসৱ। কৃষি ভিত্তিক সমাজৰ বাবে বিশেষ তাৎপৰ্য বহন কৰা এই বিহু অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ। আহিন আৰু কাতি মাহৰ মকৰ সংক্রান্তিৰ দিনা এই বিহু পালন কৰা হয়। কাতি বিহু অসমৰ হিন্দু ধৰ্মাৱলম্বী লোক সকলৰ বাবে এক পবিত্র তিথি বা উৎসৱ। এই বিহুত বিশেষ উলহ- মালহেৰে পালন কৰা নহয়। এই সময়ত চহা কৃষকৰ ভঁৰাল সমূহ প্রায় উদং হৈ পৰে। সেয়ে লক্ষ্মী দেৱীক সন্তুষ্ট কৰিবৰ বাবে পথাৰ, ঘৰ আদিত চাকি দিয়ে। পোক -পৰুৱা, চৰাই -চিৰিকটি আদিৰ পৰা সুৰক্ষা দিবলৈ লক্ষ্মী দেৱীক কাতৰে আহ্বান জনায়। এই বিহুৰ জৰিয়তে কৃষকে ভৱিষ্যতৰ বাবে আশা আৰু শস্যৰ সমৃদ্ধি কামনা কৰে। এই বিহু অসমীয়াজন জীৱনৰ আয়ুস ৰেখাৰ এক অন্যতম অংগ। এই উৎসৱে কৃষিজীৱী লোক সকলৰ বাবে এক বিশেষ তাৎপৰ্য বহন কৰে। এই সময়চোৱা অসমৰ কৃষিজীৱি সমাজৰ অনাটনৰ সময়। অধিকাংশ কৃষকৰ ভৰাঁলত ধান মুঠি নোহোৱা হয়, বাৰীত শাক- পাচলিৰো নাটনি হয়। সেয়েহে, প্রকৃতিৰ ওপৰত সদায়ে নিৰ্ভৰশীল খেতিয়কে ভৱিষ্যতৰ একমাত্র আশা-ভৰষাৰ স্থল তথা সোণালী সপোন স্বৰূপ পথাৰৰ ধাননিডৰাৰ মংগলৰ বাবেই আচলতে পথাৰ, ভঁৰাল, ঘৰৰ আগফাল-পিছফাল তথা তুলসীৰ তলত চাকি-বন্তি জ্বলায়, পথাৰৰ লখিমীক ভঁৰাললৈ অহাৰ বাট দেখুৱায়, আকাশ বন্তি জ্বলায়।



কাতি বিহু হ'ল পবিত্রতা, আশা, সমৃদ্ধি আৰু শান্তিৰ এক বিশেষ অনুভূতি। কাতি বিহুৰ প্রচলিত লোকাচাৰ সমূহে অসমীয়াজন জীৱনক এক সুকীয়া মৰ্যাদা প্রদান কৰি আহিছে। কৃষিজীৱী অসমীয়াই ৰঙালী আৰু ভোগালী বিহুৰ দৰে মৰম - চেনেহেৰে কাতি বিহুক সাবটি লৈছে। এই বিহু পালনৰ জৰিয়তে প্রকৃতি তথা দেৱ-দেৱীৰ প্রতি যি দৰে শ্রদ্ধা নিবেদন কৰা হয়, তাৰ জৰিয়তে ইয়াৰ মাজত থকা মূল আবেদন সহজে অনুমান কৰিব পাৰি। উলহ- মালহ বা ভোগ প্রাচুৰ্য নাথাকিলেও এই বিহুক বহুতো ধৰ্মীয় ৰীতি- নীতিয়ে আৱৰি ৰাখিছে। এই কঙালী, অনাটনৰ সময়ত অহা কাতি বিহুত ভোগৰ পৰিৱৰ্তে কৃষিজীৱি ৰাইজে পথাৰৰ পৰা লখিমীক আদৰিবলৈ আধ্যাত্মিকতাৰ আশ্রয় লয়। কৃষক, গৃহস্থ সকলোৱে সেয়ে কেৱল ঐশ্বৰ্যৰ বাবে প্রার্থনা কৰে। কাতি বিহুৰ পথাৰৰ বন্তিগছি, তুলসী তলৰ বন্তিগছি অথবা আকাশ বন্তি গছিৰ আধ্যাত্মিক জ্যোতিয়ে সকলোকে আলোকিত কৰে।

সময়ৰ লগে-লগে আধুনিকতাৰ প্রভাৱে কাতি বিহুৰ কিছু পৰম্পৰা তথা ৰীতি-নীতিৰ ওপৰত প্রভাৱ পেলাইছে, যাৰ ফলত বিহু কেন্দ্রিক প্রচলিত কিছু পৰম্পৰা লোপ পাব ধৰিছে। আধুনিক কৃষি পদ্ধতিৰ প্রভাৱৰ ফলত শস্যৰ অভাৱ আৰু চহা শ্রমিকৰ সংখ্যা কমি যোৱাৰ ফলত কাতি বিহুৰ পৰম্পৰা সমূহ হেৰাই যোৱাৰ দৰে হৈছে যদিও, কাতি বিহুৰ মূল অংশ হিচাপে পথাৰ আৰু ঘৰত চাকি জ্বলোৱা, তুলসী গছ ৰোৱা আদিৰ দৰে পৰম্পৰা সমূহ বৰ্তমান সময়তো বহুল প্রচলিত আৰু এই সমূহে অসমৰজন জীৱনৰ কৃষি ভিত্তিক সংস্কৃতিৰ ওপৰত এক সম্পর্ক স্থাপন কৰিছে।

## সোণাপুৰৰ সমাধিক্ষেত্ৰত

প্ৰান্তত তেওঁৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ বাবে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই ৩০ দিন অনুৰাগীসকলৰ বাবে যে কিমান কষ্টকৰ আৰু শোকাকুল হৈছে, তাক ব্যক্ত কৰাৰ প্ৰয়োজন নাই। জুবিনৰ অমৰ সৃষ্টিৰ স্মৃতিৰে এতিয়াও হৃদয় ভাৰাক্ৰান্ত হৈ থকা অনুৰাগীসকলে তেওঁৰ সমাধিক্ষেত্ৰত সমবেত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। সোণাপুৰৰ জুবিন সমাধিক্ষেত্ৰত পুৱতি নিশাৰ ৪ বজাৰ পৰাই অসমৰ বিভিন্ন স্থানৰ পৰা আগমন কৰা শোকাহত জনতাৰ ভিৰে এক লোকাৰণ্য পৰিৱেশৰ সৃষ্টি কৰিছে। ধুবুৰীৰ পৰা শদিয়ালৈকে, কোনোবাই ভাড়া কৰা বাছত, কোনোবাই নিজৰ ব্যক্তিগত গাড়ীত কৰি এই পুণ্যভূমিত উপস্থিত হৈছে। এই দিনটোত জুবিনৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে সোণাপুৰৰ সমাধিক্ষেত্ৰ হৈ পৰিছে এক মিলনৰ কেন্দ্ৰ। আজিৰ কাৰ্যসূচীৰ অংশ হিচাপে পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব গীতা পাঠ, যি বিগত কেইদিন ধৰি সমাধিক্ষেত্ৰত অব্যাহত আছে। পুৱা ১১ বজাত নাম-কীৰ্তনৰ আয়োজনৰ পিছত দুপৰীয়া ১২ বজাত সৰ্বধৰ্মীয় প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। দুপৰীয়া ২ বজাৰ পৰা মাহ-প্ৰসাদ বিতৰণৰ লগতে ৰাইজৰ বাবে লঘু আহাৰৰ ব্যৱস্থা কৰা হৈছে। বিয়লি ৩ বজাত এশগৰাকী আয়তীৰ এক সমবেত দল দিহানাম পৰিবেশন কৰিব, আৰু সন্ধিয়া ৫ বজাত শ্ৰোতাৰ মাজত এশ বাঁহীবাদৰ সুৰৰ মূৰ্ছনাবিয়পি পৰিব। নিশা ৭ বজাত বিশিষ্ট বাদ্যযন্ত্ৰী শিল্পীসকলে এক বিশেষ অনুষ্ঠান পৰিবেশন কৰিব। দিনটোৰ সমাপ্তি হ'ব নিশা ১০ বজাত অংকীয়া ভাওনাৰ পৰিবেশনৰ জৰিয়তে। এই সমগ্ৰ কাৰ্যসূচী জেলা প্ৰশাসনৰ সহযোগিতাত আয়োজিত হৈছে। ডিমৰীয়াবাসী ৰাইজে এই অনুষ্ঠানৰ সফলতাৰ বাবে সকলোৰে সহযোগিতা আৰু পৰামৰ্শ কামনা কৰিছে। লগতে, তেওঁলোকে সকলো জুবিন অনুৰাগীক আহ্বান জনাইছে যাতে কোনোৱে ৰাগিয়াল দ্ৰব্য সেৱন কৰি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰে, যাতে এই শোকসভা শান্তিপূৰ্ণ আৰু মৰ্যাদাপূৰ্ণভাৱে সম্পন্ন হয়। জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি এই শ্ৰদ্ধাঞ্জলিৰ মাধ্যমে অসমৰ জনতাই তেওঁৰ অমৰ সাংস্কৃতিক অৱদানক পুনৰবাৰ স্মৰণ কৰিছে, যি সদায় তেওঁলোকৰ হৃদয়ত জীৱন্ত হৈ থাকিব।

## আমি এটকা দি দুটকা

এফৰ মাজবাটৰ বিধায়ক চৰণ বড়োৱে আজি নতুন মন্ত্ৰী হিচাপে ৰাজভৱনত শপত গ্ৰহণ কৰে। এই সম্পৰ্কৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য হৈছে ২০২৬ৰ বিধানসভা নিৰ্বাচন। মাজত মাত্ৰ কেইটামান মাহ বাকী আছে। তাৰ পূৰ্বে ৰাজনৈতিক লাভালাভৰ বাবে সম্পৰ্ক স্থাপনৰ বাবে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। কাৰ্যতঃ বি পি এফ দলটো এন ডি এৰ অংশীদাৰ হৈ পৰিল। নিশ্চিতভাৱে ২০২৬ৰ নিৰ্বাচনত বিজেপিয়ে বি পি এফৰে মিত্ৰতাত থাকি অৱতীৰ্ণ হ'ব। ইফালে, আজি ৰাজভৱনত আয়োজন কৰা শপত গ্ৰহণ অনুষ্ঠানত অংশ লোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বি পি এফৰে মিত্ৰতা আৰু ২০২৬ৰ নিৰ্বাচন সন্দৰ্ভত কেতবোৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। বড়োভূমিত থকা বিধানসভাৰ আসন কেইখনতৰ ক্ষেত্ৰত কোনে ক'ত প্ৰতিদ্বন্দ্বিতা কৰিব সেই সন্দৰ্ভত আগন্তুক দুই-তিনি মাহৰ ভিতৰত আলোচনা কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে সদৰি কৰে। আনহাতে বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীয়েও দিয়া আৰু লোৱাৰ প্ৰসংগত ব্যক্ত কৰে নিজৰ প্ৰতিক্ৰিয়া। আগন্তুক নিৰ্বাচন আৰু বড়োভূমিৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "আমাৰ প্ৰচেষ্টা হ'ব আমি সকলোৰে লগ হৈ বড়োভূমিৰ প্ৰগতি, শান্তি আৰু সকলো শ্ৰেণীৰ জনগণৰ সমন্বয়ৰ বাবে কাম কৰা। অহা দুই-এদিনতে বিটিচিৰ নৱ-নিৰ্বাচিত ই এমসকলৰ লগত আমাৰ মন্ত্ৰীসভাৰ বৈঠক হ'ব। আমি বি টি চিৰ উন্নয়নৰ বাবে সকলো প্ৰকাৰে বি পি এফৰ চৰকাৰখনক সহযোগিতা কৰিম।" মুখ্যমন্ত্ৰীয়ে কয়, "২০২৬ চনৰ নিৰ্বাচনতো আমি এটা সমন্বিত ৰণকৌশল প্ৰস্তুত কৰিম। কাৰণ সকলোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমত এখন সুন্দৰ চৰকাৰ হোৱাটো বিচাৰে। তাৰ বাবে ৰাজনৈতিক দিশত কোন ক'ত উঠিব সেই বিষয়ে আলোচনা কৰা নাই যদিও স্বাভাৱিকভাৱে ২০২৬ৰ নিৰ্বাচনৰ কথাও আমাৰ মনত তথা চিন্তাত আছে। এই বিষয়ে ডিচেম্বৰ বা জানুৱাৰী মাহৰ ভিতৰত আমি এটা সুন্দৰ প্ৰতিচ্ছবি দিব পাৰিম। এটা কথা ঠিক যে গোটেই কথাবিলাক গঠনমূলক আৰু ইতিবাচক হ'ব। ইয়াত নিগেটিভ একো নহয়।" ইফালে, বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কয়, "২০২৬ৰ বাবে মই ডিচেম্বৰ মাহৰ পৰা ওলাম। নৰেন্দ্ৰৰ মাহটো বি টি চিৰ কাৰণে অলপ কাম কৰিম। বহুত কাম বাকী আছে। এন ডি এত চামিল হোৱা বাবে বন্ধু হিচাপে মন্ত্ৰিত্ব দিছে। সেইদৰে আমিও দিম। আমি বিজেপিৰ দুজন ই এম দিম। ডেপুটি স্পীকাৰ দিম আমি। আমি এনেকুৱা মানুহ ল'বও জানো আৰু দিবও জানো। ল'বও জানিব লাগিব আৰু দিবও জানিব লাগিব। কথা সেইটোহে। দুজন ই এম দি মই কি এনেই থকা মানুহ? কিবা এটা নোলোৱাকৈ থকা মানুহ নেকি মই? চাৰি-পাঁচ মাহৰ মন্ত্ৰীৰ বাবে আমাৰ ইমান ডাঙৰ ইচ্ছা নহয়। অংশীদাৰ হিচাপে দিব লাগে দিছে; কিন্তু ২০২৬ত দেখাওক। ২০২৬টোহে আচল। আসনক লৈ আলোচনা কৰাই নাই। আমি এনেকুৱা যে এটকা দিলে দুটকা লোৱা মানুহ।"

## মহাপ্ৰয়াণৰ এমাহ;

প্ৰতিটো ক্ষণ তেওঁৰ স্বামীৰ সান্নিধ্যৰ স্মৃতিয়ে তেওঁক আৱৰি ধৰে। শোকৰ ভাৰ বেছি হ'লে গৰিমা দৌৰি যায় সোণাপুৰৰ জুবিনক্ষেত্ৰলৈ, য'ত তেওঁ স্বামীৰ সমাধিৰ কাষত বহি নিস্তব্ধতাৰ মাজত অশ্ৰুৰ সৈতে বহু কথা পাতে। এই বিশেষ দিনটোত, জুবিনৰ বিদায়ৰ ৩০ দিন পূৰ্ণ হোৱাৰ মুহূৰ্তত, গৰিমা গাৰ্গে ফেচবুকত এটা আৱেগিক পোষ্টৰ জৰিয়তে নিজৰ হৃদয়ৰ কথা প্ৰকাশ কৰিছে। তেওঁ লিখিছে, "তুমি আছা... সদায় থাকিবা। এয়া কল্পনা নহয়, আমাৰ আত্মাৰ বান্ধোন জন্মজন্মান্তৰৰ। তুমিয়েই মোৰ হেজাৰ প্ৰশ্নৰ উত্তৰ দিবা, মোৰ পথ পোহৰাই খোজ দিয়াবা—মই জানো!" গৰিমাৰ কথাত জুবিনৰ অমৰ উপস্থিতিৰ প্ৰতি গভীৰ বিশ্বাস ফুটি উঠিছে। তেওঁ আৰু লিখিছে, "তুমিয়েই মোক সাহস আৰু বিশ্বাসৰ পাঠ শিকালা, পৃথিৱীখন দেখুৱালা। মই তোমাৰ হাতত ধৰি এই পথত খোজ দি গ'লোঁ। মোৰ ঈশ্বৰপুৰুষ, তুমি মোক সদায় আৱৰি ৰাখিবা—মই এই কথা হৃদয়ৰ গভীৰতাত জানো।" তেওঁৰ এই পোষ্টৰ শেষত #JusticeForZubeenGarg হেচটেগৰ জৰিয়তে তেওঁ জুবিনৰ স্মৃতি আৰু তেওঁৰ প্ৰতি ন্যায়ৰ দাবীকো স্মৰণ কৰাইছে। গৰিমাৰ এই আৱেগিক প্ৰকাশে জুবিন গাৰ্গৰ অম্লান উত্তৰাধিকাৰ আৰু তেওঁৰ সৈতে জড়িত স্মৃতিৰ গভীৰতাক পুনৰ উজ্জ্বল কৰিছে। সোণাপুৰৰ জুবিনক্ষেত্ৰ এতিয়াও তেওঁৰ প্ৰিয়জনৰ শোকাহত হৃদয়ৰ বাবে এক আশ্ৰয়স্থল হৈ আছে, য'ত গৰিমাৰ দৰে অগণন অনুৰাগীৰ হৃদয় জুবিনৰ স্মৃতিৰে জীপাল হৈ থাকে। এই আৱেগিক স্মৃতিৰ মাজেৰে গৰিমা গাৰ্গে জুবিনৰ অমৰ উপস্থিতিৰ কথা পুনৰবাৰ প্ৰতিষ্ঠা কৰিছে, যিয়ে তেওঁৰ অনুৰাগীসকলৰ মাজতো গভীৰ প্ৰভাৱ পেলাইছে।

## সোণাপুৰৰ জুবিনক্ষেত্ৰতেই

কৰিছিল। জুবিন গাৰ্গৰ শেষকৃত্যৰ দিনৰ পৰাই 'মায়া' নামেৰে পৰিচিত এই কুকুৰটো জুবিনক্ষেত্ৰৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছিল। জুবিনৰ মহাপ্ৰয়াণৰ শোকত মায়া এনেকৈ বিমনা হৈ পৰিছিল যে খাদ্য-পানী গ্ৰহণ কৰাও বন্ধ কৰি দিছিল। শনিবাৰ নিশা গৰিমা শইকীয়া গাৰ্গ আৰু পামী বৰঠাকুৰে এই সাৰমেয়টোক মৰম আৰু সান্ত্বনা প্ৰদান কৰিছিল, কিন্তু তাৰ পিছতো মায়াৰ জীৱন প্ৰদীপ নিৰ্বাপিত হৈ গ'ল। জুবিনক্ষেত্ৰৰ এই নিৰ্লিপ্ত প্ৰহৰীৰ বিদায়ে সকলোৰে মাজত শোকৰ ছাঁ পেলাইছে। মায়াৰ মৃত্যুৱে জুবিন গাৰ্গৰ স্মৃতিৰ সৈতে জড়িত এটা জীৱন্ত সংযোগৰ অৱসান ঘটালে, যিয়ে সোণাপুৰৰ জুবিনক্ষেত্ৰৰ প্ৰতিটো হৃদয়ত গভীৰ শূন্যতাৰ সৃষ্টি কৰিছে।

## পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা

আলোচক নিযুক্তিৰ সিদ্ধান্তৰ সমালোচনা কৰিছে। কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে ১৬ অক্টোবৰ ২০২৫ তাৰিখে অৱসৰপ্ৰাপ্ত আইপিএছ বিষয়া পংকজ কুমাৰ সিঙক গোৰ্খা সম্প্ৰদায়ৰ দাবী-দাওয়াৰ বিষয়ে আলোচনাৰ বাবে আলোচক হিচাপে নিযুক্ত কৰিছিল। এই নিযুক্তিৰ উদ্দেশ্য আছিল দাৰ্জিলিংৰ ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতে আলোচনাৰ জৰিয়তে গোৰ্খাসকলৰ সমস্যাৰ বিষয়ে অৱগত হোৱা। কিন্তু মমতা বেনাৰ্জীয়ে এই সিদ্ধান্তত গভীৰ আচৰিত আৰু স্তম্ভিত হোৱাৰ কথা পত্ৰত উল্লেখ কৰিছে। তেওঁৰ মতে, কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগ চৰকাৰৰ সৈতে কোনো পূৰ্ব আলোচনা নকৰাকৈ এই নিযুক্তি কৰিছে, যাক তেওঁ একপক্ষীয় বুলি অভিহিত কৰিছে। মুখ্যমন্ত্ৰীয়ে পত্ৰত স্পষ্ট কৰিছে যে গোৰ্খা সম্প্ৰদায়ৰ বিষয়ত আলোচনাৰ বাবে এনে আলোচকৰ কোনো প্ৰয়োজন নাই। তদুপৰি, তেওঁ কেন্দ্ৰীয় চৰকাৰক এই নিযুক্তি প্ৰত্যাহাৰ কৰাৰ দাবী জনাইছে। যদিও দাৰ্জিলিংৰ কিছু ৰাজনৈতিক দলে কেন্দ্ৰৰ এই পদক্ষেপক আদৰণি জনাইছে, মমতা বেনাৰ্জীৰ পত্ৰত ৰাজ্য চৰকাৰৰ অংশগ্ৰহণৰ অভাৱক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ পাইছে। তেওঁৰ এই পত্ৰই কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পৰিপ্ৰেক্ষিতত গোৰ্খা ইচ্ছাৰ সংবেদনশীলতাক পুনৰ প্ৰকাশ কৰিছে।

## ৩৭২ বছৰীয়া পৰম্পৰা;

পৰম্পৰাগত নাম-কীৰ্তন অনুষ্ঠিত হয়। ইয়াৰ পিছতে বিয়লি সত্ৰখনৰ বৈষ্ণৱৰসকলে হিয়ানাম, দিহা নাম, নটুৱা নৃত্য, ওজাপালিৰে নামঘৰৰ চৌপাশ মুখৰিত কৰি সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, ডেকাধিকাৰ দেৱানন্দ দেৱ গোস্বামীৰ লগতে সত্ৰৰ বৈষ্ণৱসকলে জয়ধ্বনি কৰি গায়ন-বায়ন, ঢোল-খোল, শংখ-ঘণ্টা, দবা-কাঁহ বজাই মূল নামঘৰৰ পৰা ওলাই আহি নামঘৰৰ সমীপৰ মুকলি আকাশৰ তলত বিশেষ ভাবে বাঁহৰ খুটাৰে নিৰ্মাণ কৰা আকাশ বন্তি থলিত প্ৰৱেশ কৰে। উক্ত স্থানত সত্ৰখনৰ বৰপূজাৰীয়ে তুলসী পূজাৰ মন্ত্ৰ উচ্চাৰণৰ লগে লগে সত্ৰাধিকাৰ সহিতে বৈষ্ণৱসকলে আকাশ বন্তিৰ থলীত উঠা নাম পৰিবেশন কৰি চৌপাশ মুখৰিত কৰি চাৰিপাক পৰিক্ৰমা কৰি সেৱা জনাই সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে সত্ৰখনৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামী সহিতে সত্ৰখনৰ মুখিয়াল সকলে একোগছিকৈ বন্তি প্ৰজ্বলন কৰাৰ পিছতেই ৰছীৰ সহায়ত ৩০ ফুট ওপৰলৈ তুলি দিয়ে। লগে লগে ২১গছি বন্তিৰ পোহৰে আলোকিত হৈ পৰে আকাশ। বিশ্বাস আছে যে এই প্ৰজ্বলিত বন্তিৰে পূৰ্ব পুৰুষসকলক উদ্ধাৰ কৰে। বন্তি প্ৰজ্বলন কৰি সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে আকাশবন্তিৰ মন্ত্ৰেৰে সকলোকে কাতি বিহুৰ শুভেচ্ছা জনাই সাংবাদিকৰ আগত কয় যে- মাজুলীৰ শাৰদীয় উৎসৱ বুলি কলে আমি তিনিটা উৎসৱৰ কথাকেই মূলতঃ কব লাগিব সেয়া হৈছে কাতি বিহু, ৰাস আৰু পালনাম। ইয়াতেই আছে আমাৰ সংস্কৃতি, ইয়াতেই আছে আমাৰ পৰম্পৰা, ইয়াতেই আছে আমাৰ ঐতিহ্য। কাতি বিহুত ২১ যোৰা বন্তিৰ প্ৰজ্বলনেৰে মাজুলীৰ শাৰদীয় উৎসৱ সমূহ আৰম্ভ হয়। শাৰদীয় উৎসৱৰ অৰ্থই হৈছে একপ্ৰকাৰে শান্তি-সম্প্ৰীতিৰ বাৰ্তা। একেবাৰে উপদ্ৰৱ নোহোৱা উৎসৱেই হৈছে শাৰদীয় উৎসৱ সমূহ। আমি শাৰদীয় উৎসৱ সমূহৰ পৰা এই শিক্ষা লব পাৰোঁ যে এই সময়ৰ প্ৰকৃতিয়ে যদি শান্তিৰ এটা বাতাবৰণ দিব পাৰে তেন্তে আমিও শান্তি সম্প্ৰীতিৰ এক পৰিৱেশ দিব লাগিব। সত্ৰাধিকাৰ গৰাকীয়ে অসমবাসী ৰাইজক কাতি বিহুৰ শ্ৰদ্ধা জ্ঞাপন কৰি সকলোকে যিকোনো ত্যাগৰ বিনিময়ত শান্ত পৰিৱেশ ৰক্ষা কৰি আমাৰ সমাজত যি অসুয়া অপ্ৰীতি আছে সেই সকলোবিলাক যাতে নাইকিয়া হৈ যায়, একাত্ম চিন্তাবোৰ যাতে নোহোৱা হৈ যায়, পৰস্পৰে পৰস্পৰক যাতে সকলোৱে আঁকোৱালি লয়, সমাজত যাতে শান্তি বিৰাজিত হয়, সকলোৱে হৃদয়বিলাক এই জ্ঞান আলোকেৰে আলোকিত হয় তাৰেই তেওঁ কামনা কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ লগতে মুঠ ৬জন বিশিষ্ট লোকৰ প্ৰয়াণত তেওঁলোকৰ আত্মাৰ সদগতিৰ অৰ্থে সত্ৰত আজি বিশেষ নাম কীৰ্তনৰ ব্যৱস্থা কৰা হয় বুলি সত্ৰাধিকাৰ গৰাকীয়ে লগতে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে সত্ৰ খনৰ এই ২১ যোৰা বন্তি প্ৰজ্বলনৰ আধ্যাত্মিক তাৎপৰ্য আছে। মানুহ জন্ম মানেই মৃত্যু। পুৰুষে পুৰুষে যাতে উদ্ধাৰ হয়। সকলোৱে যাতে বৈকুণ্ঠত স্থান পায়। সেই চিন্তাকে লৈ শ শ বছৰ ধৰি সত্ৰখনে পৰম্পৰাগত ভাৱে ২১ যোৰা এই আকাশ বন্তি প্ৰজ্বলনৰ যোগেদি কাতি বিহু উদযাপন কৰি আহিছে। অৱশ্যে ইয়াৰ লগত বিজ্ঞান সন্মত কাৰণো লুকাই আছে। প্ৰতি আকাশ বন্তিৰ তলত তথা গাৱঁৰ ঘৰৰ চোতালত যি তুলসী পূজা হয় এই তুলসীয়ে ভাইৰাছ নাশ কৰিব পৰা ক্ষমতা আছে। ইফালে আকাশ বন্তি প্ৰজ্বলনৰ পাছতে সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ প্ৰমুখ্যে বৈষ্ণৱসকল নামঘৰত প্ৰৱেশ কৰি গোবিন্দ মহাপ্ৰভুৰ চৰণত সেৱা জনাই অনুষ্ঠানৰ সামৰণি পৰে। সত্ৰ খনৰ উক্ত অনুষ্ঠানত আজি মাজুলীৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা অহা শ শ দৰ্শনাৰ্থীৰ লগতে বিদেশী পৰ্যটকেও অংশগ্ৰহণ কৰে। ইফালে ইয়াৰ উপৰিও মাজুলীৰ গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, দক্ষিণপাট সত্ৰকে আদি কৰি সত্ৰ অনুষ্ঠান সমূহত পৰম্পৰা অনুসৰি আকাশ বন্তি প্ৰজ্বলন কৰি কাতি বিহু উদযাপন কৰাৰ লগতে মাজুলীৰ গাঁও সমূহতো তুলসী পূজা, আকাশ বন্তি প্ৰজ্বলনেৰে উলহ-মালহেৰে কাতি বিহু উদযাপন কৰে। ইফালে অহা ২৫ কাতিৰ পৰা ২৯ কাতি লৈকে হ'বলগীয়া পালনাম মহোৎসৱ অনুষ্ঠিত হোৱাৰ শেষত আকাশ বন্তি অৱনমিত কৰিব। জুবিন গাৰ্গৰ অকাল বিয়োগত এইবাৰ মাজুলীত কাতি বিহুৰ কাৰ্যসূচী সীমিত হ'লেও দেশী বিদেশী পৰ্যটকৰ লগতে মাজুলীৰ বিভিন্ন সত্ৰত ভক্তৰ সমাবেশ দেখিবলৈ পোৱা গৈছে। আউনীআটী সত্ৰৰ আকাশ বন্তি প্ৰজ্বলনৰ মনোমোহা পৰিবেশত অভিভূত বিদেশী পৰ্যটকৰ এটা দলে মাজুলীৰ আধ্যাত্মিক পৰিবেশ বিশ্বত বিৰল বুলি মন্তব্য কৰে।

## ব্যৱসায়ীৰ ৰম্যভূমিলৈ পৰিণত

উঠাই নিবলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এই নিৰ্দেশনা পালন নকৰিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সতৰ্ক কৰা হৈছে, য'ত জোৰ-জবৰদস্তিৰে উচ্ছেদৰ লগতে জৰিমনা বিহাৰ সম্ভাৱনাও উল্লেখ কৰা হৈছে। NHAIৰ তৰফৰ পৰা জাৰি কৰা এই জাননীত জুবিনক্ষেত্ৰৰ নিকটৱৰ্তী ব্যস্ত অঞ্চলত দোকানৰ কাৰণে সৃষ্টি হোৱা জনসমাগম আৰু যান-বাহনৰ ভিৰৰ ফলত দুৰ্ঘটনাৰ আশংকা বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰা হৈছে। এই অঞ্চলত ঘাইপথৰ কাষৰ দোকানসমূহৰ অবৈধভাৱে স্থাপনৰ ফলত পথচাৰী আৰু যান-বাহনৰ চলাচলত বাধাৰ সৃষ্টি হোৱাৰ লগতে নিৰাপত্তাজনিত উদ্বেগ বৃদ্ধি পাইছে। ফলত, ৰাজপথৰ নিৰাপদ পৰিবেশ নিশ্চিত কৰাৰ লক্ষ্যৰে NHAIয়ে এই কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। জাননীত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে নিৰ্ধাৰিত ৬ দিনৰ সময়সীমাৰ ভিতৰত দোকানসমূহ স্বেচ্ছাই অপসাৰণ নকৰিলে প্ৰাধিকৰণে নিজৰ তৰফৰ পৰা উচ্ছেদ প্ৰক্ৰিয়া আৰম্ভ কৰিব। ইয়াৰ উপৰিও, এনে ক্ষেত্ৰত জৰিমনা বিহাৰ দৰে আৰ্থিক দণ্ডৰো সন্মুখীন হ'বলগীয়া হ'ব পাৰে দোকানৰ মালিকসকলে। এই সিদ্ধান্তই অঞ্চলটোৰ স্থানীয় ব্যৱসায়ীসকলৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিছুমানে এই নিৰ্দেশনাক নিৰাপত্তাৰ দৃষ্টিকোণৰ পৰা গ্ৰহণ কৰিলেও, বহুতেই জীৱিকাৰ উপৰি হোৱা প্ৰভাৱৰ বাবে উদ্বিগ্ন হৈ পৰিছে। জুবিনক্ষেত্ৰৰ এই অঞ্চলটো সাংস্কৃতিক আৰু সামাজিকভাৱে গুৰুত্বপূৰ্ণ হোৱাৰ বাবে এই নোটিছৰ ফলাফল স্থানীয় জনগণৰ মাজতো আলোচনাৰ বিষয় হৈ পৰিছে। NHAIৰ এই পদক্ষেপৰ জৰিয়তে ৰাজপথৰ নিৰাপত্তা আৰু শৃংখলা ৰক্ষাৰ লক্ষ্য থাকিলেও, স্থানীয় ব্যৱসায়ীসকলৰ পুনৰ্বাসনৰ বিষয়ে কোনো স্পষ্ট পৰিকল্পনা এতিয়ালৈকে প্ৰকাশ পোৱা নাই। আগন্তুক দিনত এই নিৰ্দেশনাৰ বাস্তৱায়ন কেনেকৈ হ'ব আৰু ইয়াৰ প্ৰভাৱ কি হ'ব, সেয়া লক্ষণীয় হৈ থাকিব।

## দিল্লীৰ ব্ৰহ্মপুত্ৰ এপাৰ্টমেণ্টত

অগ্নিকাণ্ড সংঘটিত হৈছে, যাৰ ফলত ৰাজ্যসভাৰ বহু সাংসদৰ বাসগৃহ সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হৈছে। সংসদ ভৱনৰ পৰা মাত্ৰ ২০০ মিটাৰ দূৰত্বত থকা এই অট্টালিকাটোত সংঘটিত এই ঘটনাই স্থানীয় লোকৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি কৰাৰ লগতে নিৰাপত্তা ব্যৱস্থাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। প্ৰাথমিক তথ্য অনুসৰি, এই অগ্নিকাণ্ডৰ মূল কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ প্ৰতিক্ৰিয়া বিলম্ব হোৱাৰ অভিযোগে স্থানীয় লোকৰ মাজত অসন্তোষৰ সৃষ্টি কৰিছে। সাক্ষীসকলৰ বিৱৰণ অনুসৰি, আজি দিনৰ ভাগত সংঘটিত এই অগ্নিকাণ্ডই অতি কম সময়ৰ ভিতৰতে সমগ্ৰ অট্টালিকাটো গ্ৰাস কৰি পেলায়। জানিব পৰা মতে, অগ্নিকাণ্ডৰ প্ৰায় ৩০ মিনিটৰ পিছত অগ্নিনিৰ্বাপক বাহিনীৰ বাহনসমূহ ঘটনাস্থলীত উপনীত হয়। জুই নিয়ন্ত্ৰণৰ বাবে ছটা অগ্নিনিৰ্বাপক ইঞ্জিন মোতায়েন কৰা হৈছে, আৰু বাহিনীয়ে তীব্ৰ প্ৰচেষ্টাৰে জুই নিৰ্বাপণৰ কামত জড়িত হৈ আছে। এতিয়ালৈকে কোনো হতাহতিৰ খবৰ পোৱা নাই যদিও লাখ লাখ টকা মূল্যৰ সামগ্ৰী ধ্বংস হোৱাৰ তথ্য প্ৰকাশ পাইছে। এই ঘটনাই ৰাজধানীৰ নিৰাপত্তা ব্যৱস্থা আৰু অগ্নিনিৰ্বাপক সেৱাৰ কাৰ্যকাৰিতাৰ ওপৰত গুৰুতৰ প্ৰশ্নৰ সৃষ্টি কৰিছে। স্থানীয় প্ৰশাসন আৰু আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে, আৰু অগ্নিকাণ্ডৰ কাৰণ আৰু ক্ষয়ক্ষতিৰ সম্পূৰ্ণ পৰিমাণ নিৰূপণৰ বাবে তদন্ত অব্যাহত আছে।

## ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জিলা আয়ুক্তসকলৰ সৈতে এক ভাৰ্চুৱেল বৈঠকত মিলিত হয়। এই বৈঠকত সকলো জিলাতে এই অনুষ্ঠানক সমন্বিত আৰু শৃংখলিতভাৱে আয়োজনৰ বাবে বিশদভাৱে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে এই বিশেষ দিনটোত বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ কালজয়ী সৃষ্টি 'মানুহে মানুহৰ বাবে' গীতটো হাজাৰ হাজাৰ লোকে একত্ৰিত হৈ সমবেত কণ্ঠেৰে পৰিবেশন কৰিব। এই অনুষ্ঠানৰ জৰিয়তে সুধাকণ্ঠৰ অমৰ সাংস্কৃতিক অৱদানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁৰ সংগীতৰ মাধ্যমেৰে সমাজত ঐক্য আৰু মানৱতাৰ বাৰ্তা প্ৰচাৰৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। বৈঠকত জিলা আয়ুক্তসকলক স্থানীয় পৰ্যায়ত অনুষ্ঠানৰ সফল আয়োজনৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰা হয়। সুধাকণ্ঠৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনোৱা এই কাৰ্যসূচীৰ জৰিয়তে অসমৰ সাংস্কৃতিক ঐতিহ্যকো পুনৰ জাগ্ৰত কৰাৰ প্ৰয়াস কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

## অসমত আৰম্ভ হ'ব 'অসম

আয়োজন কৰা হ'ব। এই ঘোষণা শনিবাৰে বৰপেটাত এক সম্বৰ্ধনা অনুষ্ঠানত কৰে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ (বিচিচিআই) সাধাৰণ সম্পাদক দেৱজিৎ শইকীয়াই। বৰপেটা জিলা ক্ৰীড়া সন্থাৰ নিৰ্মীয়মাণ ক্ৰিকেট একাডেমীত আয়োজিত এই অনুষ্ঠানত শইকীয়াই কয় যে, ভাৰতীয় ক্ৰিকেটৰ উন্নতিৰ বাবে বিচিচিআইৰ বহু পৰিকল্পনা আছে। তেওঁ উল্লেখ কৰে যে, বৰ্তমান মহিলা বিশ্বকাপত ভাৰতীয় দলৰ প্ৰদৰ্শন অতি সন্তোষজনক। দুখন খেলৰ বাহিৰে বাকী প্ৰতিযোগিতাসমূহত দলটোৱে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। শইকীয়াই বৰপেটাৰ নিৰ্মীয়মাণ চেটেলাইট ক্ৰিকেট একাডেমীৰ কথা উল্লেখ কৰি কয়, "আগন্তুক দুমাহৰ ভিতৰত এই একাডেমী সম্পূৰ্ণৰূপে প্ৰস্তুত হ'ব। সম্পূৰ্ণ হোৱাৰ পিছত এই কেন্দ্ৰত বিচিচিআইৰ বিভিন্ন ক্ৰীড়া কাৰ্যক্ৰম অনুষ্ঠিত হ'ব।" তেওঁ বৰপেটাৰ পৰা উঠি অহা প্ৰতিভাসম্পন্ন ক্ৰিকেটাৰসকলক ধাৰাবাহিকভাৱে প্ৰদৰ্শন অব্যাহত ৰখাৰ আহ্বান জনায় আৰু একাডেমীৰ চৌপাশ পৰিদৰ্শন কৰে। এই অনুষ্ঠানত বৰপেটা জিলা ক্ৰীড়া সন্থাৰ পৰা দেৱজিৎ শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। লগতে, অসম ক্ৰিকেট সন্থাৰ নৱনিযুক্ত সম্পাদক সনাতন দাসকো বৰপেটাৰ বিভিন্ন সংগঠনৰ পৰা সম্বৰ্ধনা প্ৰদান কৰা হয়। অসম প্ৰিমিয়াৰ লীগৰ ঘোষণাই ৰাজ্যৰ ক্ৰীড়া জগতত নতুন উদ্যম সৃষ্টি কৰিছে। এই প্ৰতিযোগিতাৰ জৰিয়তে স্থানীয় প্ৰতিভাসমূহক জাতীয় পৰ্যায়ত প্ৰতিষ্ঠাৰ সুযোগ সৃষ্টি হ'ব বুলি ক্ৰীড়াপ্ৰেমীসকলে আশা প্ৰকাশ কৰিছে।

## ৰাজ্যজুৰি বিতৰ্কৰ পিছতেই

আমিও জুবিন অনুৰাগী' নামেৰে পৰিচিত হ'ব। বিগত ১৭ অক্টোবৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ ফেচবুক প্ৰ'ফাইলত এই কাৰ্যসূচীৰ কথা ঘোষণা কৰি 'ময়ো জুবিন, আমিও জুবিন' শীৰ্ষক এটা পোষ্ট শ্বেয়াৰ কৰিছিল। কিন্তু জনসাধাৰণৰ প্ৰতিক্ৰিয়াৰ পিছত তেওঁ এই পোষ্ট সম্পাদনা কৰি নতুন নাম প্ৰকাশ কৰে। বিজেপিয়ে এতিয়া 'ময়ো জুবিন অনুৰাগী, আমিও জুবিন অনুৰাগী' শীৰ্ষক শ্ল'গানেৰে সামাজিক মাধ্যমত এক ব্যাপক কেম্পেইনৰ পৰিকল্পনা কৰিছে। আগন্তুক ২২ৰ পৰা ২৬ অ'ক্টোবৰলৈ জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি সন্মান জনাই বিজেপিয়ে ৰাজ্যৰ বিভিন্ন সমষ্টিত সমদলৰ আয়োজন কৰাৰ লগতে বিশেষ কাৰ্যসূচীৰো পৰিকল্পনা কৰিছে। এই পদক্ষেপৰ জৰিয়তে দলটোৱে জুবিনৰ ন্যায়প্ৰাপ্তিৰ দাবীত জনমত গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

## চৰণ বড়োৰ পৰিবহণ মন্ত্ৰী

কৰাই। বিপিএফৰ সূত্ৰ অনুসৰি, দলৰ নেতা হাগ্ৰামা মহিলাৰীয়ে চৰণ বড়োৰ বাবে পৰিবহণ বিভাগৰ দায়িত্ব দাবী কৰিছিল। এই নিয়োগৰ জৰিয়তে বিটিচিৰ ৰাজনৈতিক পটভূমিত নতুন গতিশীলতাৰ সৃষ্টি হৈছে। হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বিপিএফৰ বিধায়ক চৰণ বড়োৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্তিৰ ফলত বিজেপি নেতৃত্বাধীন এনডিএৰ সৈতে বিপিএফৰ মিত্ৰতা আৰু শক্তিশালী হৈছে। এই ৰাজনৈতিক সহযোগিতাৰ ফলত বিপিএফ এতিয়া ৰাজ্যৰ ক্ষমতাৰ অংশীদাৰ হিচাপে পৰিগণিত হৈছে। এই নতুন মিত্ৰতাই অসমৰ ৰাজনীতিত এক নতুন সমীকৰণৰ জন্ম দিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে আশা প্ৰকাশ কৰিছে।

## কাছাৰত পুনৰ ১৮জন

ভিতৰত মহিলা আৰু শিশু আছে। কালি স্থানীয় ৰাইজে এই লোকসকলক আটক কৰি আৰক্ষীক গটাই দিয়ে। আৰক্ষীৰ জেৰাত এই লোকসকলে ম্যানমাৰৰ বাসিন্দা আৰু দীৰ্ঘদিন ধৰি অবৈধভাৱে ভাৰতত বাস কৰি অহাৰ কথা স্বীকাৰ কৰে। হায়দৰাবাদৰ পৰা মধ্যভোগীৰ জৰিয়তে কালাইনলৈ অহা লোকসকলে বাংলাদেশলৈ যোৱাৰ চেষ্টা কৰিছিল যদিও সীমান্ত পাৰ হোৱাৰ আগতে তেওঁলোকক আটক কৰা হয়। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

## নিমাতি-অফলামুখ ফেৰীৰ

জানিবলৈ বিচৰাত তেওঁলোকে জনোৱা মতে নিমাতিৰ পৰা বিয়লি ভাগত অহা ফেৰী খনৰ পৰা লোক গৰাকীয়ে ব্ৰহ্মপুত্ৰত জাপ দিয়ে। লোকগৰাকীয়ে নিচা সেৱন কৰি অহা বুলি কৰ্মচাৰীসকলে জনোৱাৰ লগতে জাপ দিয়াৰ পূৰ্বে কাকো জগৰীয়া নকৰি চুইচাইদ নোট লিখি থৈ যোৱা বুলি কয় যি সমূহ ফেৰীৰ কৰ্মচাৰীয়ে পিছত উদ্ধাৰ কৰে। লোকজনৰ ঘৰ গোলাঘাট জিলাৰ দেৰগাঁৱত বুলি জানিব পৰা গৈছে। ইফালে লোকজনক উদ্ধাৰৰ বাবে এছ ডি আৰ এফে উদ্ধাৰ অভিযান চলাইছিল যদিও আন্ধাৰ নামি অহাৰ বাবে উদ্ধাৰ অভিযান সামৰিবলগীয়া হয়। কাইলৈও সন্ধানহীন লোকজনৰ বাবে উদ্ধাৰ অভিযান চলোৱা হব বুলি জানিব পৰা গৈছে।

### কৃষকৰে বিভাগীয় বিষয়াৰ মত-বিনিময় ও আকাশ বন্তি প্ৰজ্বলন

# মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত নতুন কড়াল গাঁৱত কাতি বিহু উদ্‌যাপন

**অসম বাৰ্তা, বনগাঁও, ১৮ অক্টোবৰ ঃ** মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি ৰাৱনাপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত নতুন কড়াল গাঁৱত পম্পৰতা ভাৱে পালন কৰি অহা 'কাতি বিহু' পালন কৰা হয়। নতুন কড়াল গাঁৱৰ খলিহামাৰী আঞ্চলিক কৃষ্টি সংঘৰ সমীপৰ মুকলি পথাৰত আজি বিয়লি দুই বজাৰ পৰা বহুকেইটা গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰে বিহু উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায় বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি জ্ঞাপন কৰা হয়। বিভাগীয় বিষয়া আৰু কৃষকৰে আনুসাংগিক বিভাগৰ বিষয়াৰ মাজত এক মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাই অনুষ্ঠানত আদৰনি ভাষণ প্ৰদান কৰে। স্থানীয় সমাজকৰ্মী অতুল হাজৰিকাই আঁত ধৰা উক্ত মত-বিনিময় অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মুদৈ, জিলা মীন উন্নয়ন বিষয়া ভদ্ৰেশ্বৰ মিলি। কৃষকসকলক উদ্দেশ্যি নিজা বিভাগীয় ক্ষেত্ৰৰ বিভিন্ন বিষয় সন্দৰ্ভত বক্তব্য আগবঢ়ায়। তদুপৰি, অনুষ্ঠানত জিলা পৰিষদৰ অধ্যক্ষা নৱনীতা দাসে কৃষক সকলক উদ্দেশ্য ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কৃষি উন্নয়ন বিষয়া ক্ৰমে ড° দ্বীপজ্যোতি সৰকাৰ, ৰাজা ফুকন, পংকজ পূৰাণে অংশগ্ৰহণ কৰি কৃষকৰ লগত মত-বিনিময় কৰে। সভাত মাজুলী বিধান সমষ্টিৰ বিধায়ক ভুৱন গামে সভাত মুখ্য অতিথি, মাজুলীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, মাণ্ডলিক বন প্ৰাধিকাৰী, সমাজকৰ্মী দীপক গোস্বামীয়ে বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। সন্ধিয়াৰ লগে লগে "বিহু উপলক্ষে" গায়ন-বায়নৰ মাংগলিক পৰিৱেশত পাঁচগছি আকাশ বন্তি প্ৰজ্বলন কৰাৰ লগতে নতুন কড়াল গাঁৱৰ পথাৰত কৃষকসকলে শতাধিক বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, এছ বি আই জেনেৰেল ইঞ্চিউৰেঞ্চৰ বিষয় ববীয়া, ভালেকেইজন বিশিষ্ট ব্যক্তিৰ লগতে অঞ্চলটোৰ বৃহৎ সংখ্যক ৰাইজ উপস্থিত থাকে।

### চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ শুভাৰম্ভ

# চামগুৰি সমষ্টি ভিত্তিত বৰমাত মেগা স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ অক্টোবৰ ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অভিলাষী আঁচনিৰ অধীনত যোৱা ১৬ অক্টোবৰত চামগুৰি সমষ্টিৰ অন্তৰ্গত বৰমা বজাৰস্থিত আলহাজ নুৰুল হুছেইন হাইস্কুলত বিধানসভা সমষ্টি ভিত্তিক মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি শুশ্ৰূষা সেৱা সেতুৰ অধীনত নগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত আৰু চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ নেতৃত্বত চামগুৰি বিধান সভা সমষ্টিৰ বাজিয়াগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰমা বজাৰস্থিত আলহাজ নুৰুল হুছেইন হাইস্কুলত পুৱাৰ পৰা মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। মেগা স্বাস্থ্য শিবিৰটোৰ শুভাৰম্ভ কৰে চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই। বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই মেগা স্বাস্থ্য শিবিৰটো শুভাৰম্ভ কৰি ভাষণ প্ৰসংগত কয় যে, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদায় দুখীয়া মানুহ বাবে কাম কৰি আহিছে। অসমৰ জনগণক উন্নয়নৰ জৰিয়তে কেনেকৈ আগবঢ়াই নিব তাক চিন্তা চৰ্চা কৰি আহিছে। জনসাধাৰণৰ উন্নয়নৰ কাৰণে বিভিন্ন অভিলাষী আঁচনি প্ৰস্তুত কৰি ৰাইজৰ হকে কাম কৰি আহিছে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। উক্ত অনুষ্ঠিত হোৱা মেগা স্বাস্থ্য শিবিৰটোত চামগুৰি সমষ্টিৰ বিধায়ক গৰাকীৰ লগতে উপস্থিত থাকে চামগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ড° ময়ূৰপঙ্খী বৰা, কলিয়াবৰ জিলা বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি লক্ষ্মীৰঞ্জন কাকতিসহ বিজেপি দলৰ বহুকেইজন নেতা-কৰ্মী আৰু নগাঁও জিলা স্বাস্থ্য বিষয়া আৰু কৰ্মচাৰীসকলৰ লগতে চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া কৰ্মচাৰীসকল। লগতে উক্ত মেগা স্বাস্থ্য শিবিৰটোত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা উপস্থিত থাকে। চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই শুভাৰম্ভ কৰা মেগা স্বাস্থ্য শিবিৰটোত বিভিন্ন ৰোগ নিৰ্ণয় কৰি চিকিৎসকসকলে চিকিৎসা প্ৰদান কৰে। মেগা স্বাস্থ্য শিবিৰটোত ৰোগী সকলক বিনামূলীয়াকৈ ঔষধ যোগান ধৰা হয় বুলি জানিব পৰা গৈছে। চামগুৰি বিধানসভা ভিত্তিত আয়োজিত স্বাস্থ্য শিবিৰটোত বহুকেইটা কাউণ্টাৰত কেইবা হাজাৰ ৰোগীক চিকিৎসা প্ৰদান কৰা হয় বুলি জানিব পৰা গৈছে।

# ১০০ ভাগ নামঘৰ ৪০ ভাগৰো অধিক মছজিদৰ ৰাইজে অনুষ্ঠিত কৰিছে জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ

**অসম বাৰ্তা, গেলেকী, ১৮ অক্টোবৰ ঃ** জাতি, বৰ্ণ ধৰ্মৰ লোকে সমাহাৰত এই বৃহত্তৰ অসমীয়া সমাজ। এই সমাজ ব্যৱস্থাৰ উদাহৰণ বিশ্বৰ ভিতৰতে অন্যতম অসম। অসমৰ আছে এক সুকীয়া আৰু অনন্য বৈশিষ্ট্য। য'ত জাতি, বৰ্ণ, ধৰ্মৰ সকলো লোক এক হৈ থাকি সমজ ব্যৱস্থা আগবঢ়াই নিয়াৰ লগতে একতাৰ এনাজৰী বান্ধ খাই আছে। বিভিন্ন সময়ত বিভিন্ন উদাহৰণ ডাঙি ধৰি মনৱতাৰ উৎকৃষ্ট নিদৰ্শন ডাঙি ধৰি আহিছে অসমবাসীয়ে। সেইখন অসমত এতিয়া দেখিবলৈ পোৱা গৈছে একতাৰ বান্ধোন। যি বান্ধোনৰ কথা কৈছিল মহাপুৰুষ সকলে। অসমৰ সকলোৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গে ও সেই কথা কৈ গৈছে। প্ৰয়াত শিল্পী গৰাকীয়ে সকলো ধৰ্মৰ লগতে জাতি জনগোষ্ঠীৰ ৪০ টাতকৈও অধিক ভাষাত গীত গাই অসমীয়া সমাজখন এক কৰি গৈছে। আজি শিল্পীজন আমাৰ মাজত নাই আছে মাথোঁ তেওঁ দেখাই যোৱা আদৰ্শ। শিল্পীজনৰ বিয়োগত সমগ্ৰ অসম আজি মৰ্মাহত। শিল্পীজনৰ বিয়োগত শোকাস্তব্ধ সমগ্ৰ অসম। শিল্পীজনৰ মৃত্যু কোনেও সহজভাৱে মানি লব পৰা নাই। যাৰ বাবে ৰাজ্যত শিল্পীজনৰ মৃত্যুৰ প্ৰকৃত কাৰণ বিচাৰি প্ৰতিবাদৰ সৃষ্টি হৈছে। শিল্পীজনৰ মৃত্যুৰ কাৰণ আৰু ন্যায় বিচাৰি সামাজিক মাধ্যমত সৃষ্টি হৈছে এক বিপ্লৱৰ। ইয়াৰ মাজতেই সমগ্ৰ অসমতে জাতি, বৰ্ণ ধৰ্মৰ সকলো লোক একত্ৰিত হৈ শিল্পীজনৰ আত্মাৰ সদগতিৰ বাবে আয়োজন কৰিছে প্ৰাৰ্থনা সভা, শ্ৰদ্ধাঞ্জলি অনুষ্ঠিনৰ। ইয়াৰ সমান্তৰালভাৱে শিৱসাগৰ জিলাৰ নামতি অঞ্চলত ১০০ ভাগৰো অধিক নামঘৰৰ ৰাইজ আৰু ৪০ ভাগৰো অধিক মছজিদৰ ৰাইজ একত্ৰিত হৈ অহা কালিলৈ অনুষ্ঠিত কৰিব লৈছে প্ৰয়াত শিল্পীজনৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠানৰ। পুৱা ৮ বজাত নাহৰ পুলি ৰোপণ কৰি আৰম্ভ কৰিব কাৰ্যসূচীৰ। ৯ বজাৰ পৰা আৰম্ভ হব শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ তাৰ পিছতেই আৰম্ভ হব নাম প্ৰসংগৰ অনুষ্ঠানৰ। অনুষ্ঠানতেই গায়ন, দিহানাম আৰু জিকিৰ পৰিৱেশন কৰা হব বুলি উদ্যোগতাসকলে জানিব দিছে। সন্ধিয়া ভাগলৈ বন্তিপ্ৰজ্বলন, সৰ্বধৰ্মীয় প্ৰাথনা আৰু মায়াবিনী গীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰিব।

# জৰেগাঁও-বাসুগাঁৱত কাতি বিহু পালন

### জৰেগাঁৱত ফুটবল খেল প্ৰতিযোগিতা; গছপুলি ৰোপণ-সংৰক্ষণ; সন্ধিয়া বন্তি প্ৰজ্বলন

**অসম বাৰ্তা, বাসুগাঁও, ১৮ অক্টোবৰ ঃ** অন্যান্য ঠাইৰ লগতে জৰেগাঁও আৰু বাসুগাঁৱত কাতি বিহুটি পালন কৰা হয়। কোকৰাঝাৰ জিলাৰ জৰেগাঁও কিৰণ সংঘৰ উদ্যোগত আৰু চিৰাং জিলাৰ বাসুগাঁও প্ৰেছ ক্লাবৰ উদ্যোগত দিৱসটি পালন কৰা হয়। জৰেগাঁও কিৰণ সংঘৰ উদ্যোগত, বিহু-বিযুৱা সমিতিৰ সহযোগত ৰাতিপুৱা সংঘৰ পতাকা উত্তোলন, বিহুৰ পতাকা উত্তোলন আৰু বিযুৱাৰ পতাকা উত্তোলন কৰা হয়। সংঘৰ পতাকা উত্তোলন কৰে গাঁৱৰ বয়োজেষ্ঠ বিশিষ্ট ব্যক্তি সিদ্ধেশ্বৰ ৰায়, বিহুৰ পতাকা উত্তোলন কৰে কালীপুখুৰী ভি চি ডি চিৰ প্ৰাক্তন সভানেত্ৰী, সমাজকৰ্মী কৌশল্যা ৰায় আৰু বিযুৱাৰ পতাকা উত্তোলন কৰে বিহু-বিযুৱা সমিতিৰ সভাপতি শিমল চন্দ্ৰ ৰায়। ইয়াৰ প্ৰাকমূৰ্তত বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গাঁৱৰ গাঁওবুঢ়া ৰূপনাথ ৰায়। গাঁওখনত অতীজৰে পৰাই অসমৰ বাপুতি সাহোন জাতীয় উৎসৱ তিনিটা বিহু বিভিন্ন কাৰ্যসূচীৰে পালন কৰি অহাৰ কথা ব্যক্ত কৰি এনে পৰম্পৰা অনাদি অনন্ত কাললৈ অব্যাহত ৰাখিবলৈ তেওঁ আহ্বান জনায়। পৰম্পৰা আৰু কৃষ্টিয়ে এটি জাতিৰ পৰিচয় দাঙি ধৰে বুলি উল্লেখ কৰি বক্তব্য দাঙি ধৰে সিদ্ধেশ্বৰ ৰায়ে। অনুষ্ঠানটিৰ আঁতধৰে জৰেগাঁও কিৰণ সংঘৰ সভাপতি ভৃগু মুনি ৰায়ে। উল্লেখযোগ্য যে গাঁওখনৰ চাৰিটা চুবুৰীৰ পৰা চাৰিটা দলৰ উপৰি সংঘৰ পৰা এটা মুঠ পাঁচটা দলে খেলত যোগদান কৰে। ইয়াৰে গাঁওখনৰ কেশগাঁও চুবুৰী আৰু ভাতিপাৰা (শিৱ পূজা সমিতি)ৰ মাজত ফাইনেল খেলখন অনুষ্ঠিত হয়। ফাইনেলত ভাতিপাৰা দল ১-০ গলত জয়ী হ'বলৈ সক্ষম হয়। ফাইনেল খেলখন পৰিচালনা কৰে ৰঞ্জন ৰায়। তেওঁক লাইনত সহায় কৰে সৌৰভ ৰায় আৰু প্ৰসাদ ৰায়। উল্লেখযোগ্য যে কাতি বিহুৰ লগত সংগতি ৰাখি গাঁৱৰ পথৰ কাষত ৰোপণ কৰা বিভিন্ন প্ৰজাতিৰ গছ-গছনিৰ পুলি সমূহৰ খাছা-জেওৰা মেৰামতি, বন-বাত সমূহ আঁতৰাই ছাফ-চিকুন কৰা হয়। ইফালে সন্ধিয়া বাসুগাঁও প্ৰেছ ক্লাবত বন্তি প্ৰজ্বলনেৰে কাতি বিহুটি পালন কৰা হয়। প্ৰতিদিন টাইমৰ সংবাদ দাতা জয়ন্ত দেবনাথে বন্তি প্ৰজ্বলন কৰি কাতি বিহু পালনৰ বৈজ্ঞানিক কাৰণ আৰু সনাতনী হিন্দু ধৰ্মীয় দিশৰ ওপৰত বক্তব্য দাঙি ধৰে। অনুষ্ঠানটিৰ আঁতধৰে বাসুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ভৃগু মুনি ৰায়ে।

